


Scanned with OKEN Scanner

# উৎসৰ্গা



পৃথিৱীৰ মূল্যৱান সম্পদেই হৈছে জ্ঞান। যিসকলৰ জ্ঞানৰ শুভ্ৰ জ্ঞানৰ পোহৰে আলোকিত কৰি ১৯৬৪ চনত জ্ঞানৰ মন্দিৰ ৰূপে জিলিকিল শিৱসাগৰৰ ছোৱালী কলেজ। সেইসকল মহান ব্যক্তিৰ অৱদান আজি চিৰস্মৰণীয়। প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষাগুৰু সকলৰ আশংসত প্ৰতি বছৰৰ দৰে অসমীয়া বিভাগৰ এই বছৰৰ হাতে লিখা আলোচনী 'লিপা'ৰ প্ৰতিটো শিতান শ্ৰদ্ধাৰে উৎসৰ্গিত কৰা হ'ল।





শুভেচ্ছামূলক বাৰ্তা।

শিৱসাগৰ ছোৱালী কলেজৰ অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত বাৰ্ষিক হাতে লিখা আলোচনী "শিখা" খন এই বছৰো প্ৰকাশ কৰিবলৈ সিদ্ধান্ত লোৱাৰ পৰিকল্পনা কৰা বাবে মই অতি আনন্দিত হৈছো। ছাত্ৰী সকললৈ মোৰ মনৰ শুভেচ্ছা জ্ঞাপন কৰিলো। লগতে অনাগত বছৰ সমূহতো যাতে আলোচনীখন প্ৰকাশ হৈ থাকে তাৰ বাবে আশা ৰাখিলো

উৎপলা গোঁসাই বৰুৱা।
০৫·০৯·২০২৬

Principal Incharge
Sibsagar Girls' College
Sivasagar - 785640
Assam

SIBSAGAR GIRLS' COLLEGE
SIVASAGAR, ASSAM

# শিখাৰ আঁৰত

উপদেষ্টা : অসমীয়া বিভাগৰ সমূহ শিক্ষয়িত্ৰী।

সম্পাদনা : লিপি গগৈ।

সহঃ সম্পাদনা : সুস্মিতা গগৈ।

বেটুপাত : লিপি গগৈ।

অলংকৰণ : সুনেনা বৰগোহাঞি, ৰিযুলী দিহিঙীয়া, বেবী গগৈ, সংস্কৃতী গগৈ, লিপি গগৈ।

অনুলিখন : পলাক্ষী বৰুৱা, প্ৰিয়াক্ষী ফুকন, মাইনী বৰগোহাঞি, সংকিতা গগৈ, সংস্কৃতী গগৈ।

সহযোগ : পল্লী গোঁঠী, প্ৰজ্ঞাশ্ৰী বৰুৱা, দীপশিখা বৰুৱা, ধংকনা গগৈ, ত্ৰিয়নীকা গগৈ, পূজা গগৈ, ইয়াছমিন বেগম, পৰিণীতা চাংফীয়া, ডিম্পী গগৈ, আৰ্ফী বেগম, শিখামণি চাহু, জাহ্নৱী দাস।

কৃতজ্ঞতা : বিশ্বকল্যাণ সমাজ প্ৰবৰ্তিত 'শিখা'ই পুনৰবাৰ প্ৰাণ পাই উঠিল তেওঁলোক সকলোলৈকে.....

# সম্পাদকীয় মেজৰ পৰা

" নাৰী তেওঁ শক্তিশালী, তেওঁ সবল, তেওঁ দেশৰ ভৱিষ্যত । যেতিও নহওক কামো নহওক, তেওঁ সকলোতে সমান অধিকাৰী হয় ।"

এখন দেশ, এটা জাতি, এটা সংস্কৃতিৰ প্ৰগতি নাৰী সবলীকৰণৰ অবিহনে অসম্ভৱ । দেশ এখনৰ সামগ্ৰিক বিকাশত মহিলা সবলীকৰণ অতিকৈ প্ৰয়োজনীয় । সময়ৰ বিকাশৰ লগে লগে মহিলাসকলে তেওঁলোকৰ অধিকাৰ আৰু সন্মানীয় জীৱন যাপন কৰাৰ সামৰ্থ্য উপৰত গুৰুত্ব আৰোপ কৰিছে । নাৰীৰ এই সবলীকৰণৰ লগত শিক্ষাৰ প্ৰয়োজনীয়তা সৰ্বাধিক যাৰ বাবে নাৰীৰ সবলীকৰণৰ বাধাৰ প্ৰাচীৰ দূৰ কৰিবলৈ শিক্ষা বাধ্যতামূলক হোৱাৰ লগতে সমাজত মহিলাৰ স্থিতি উন্নত হওঁক ।

'শিখা'ৰ শিৱসাগৰ ছোৱালী কলেজৰ প্ৰাণস্বৰূপ । প্ৰতিগৰাকী অনুজ আৰু সমনীয়াক ধন্যবাদ । যি 'শিখা'ক নিজৰ লেখাৰে সমৃদ্ধ কৰিলে ।

সম্পাদনাত যি হোৱা অনিচ্ছাকৃত ভুলৰ বাবে মই পাঠকৰ ওচৰত ক্ষমা প্ৰাৰ্থী।

'লিপি'ৰ এই জয়যাত্ৰা অব্যাহত হওঁক কামনা কৰিলো।

ধন্যবাদেৰে....

—লিপি গগৈ



# সহ - সম্পাদকীয় একলম

## যুৱ সমাজৰ অগ্ৰগতিত সমাজৰ ভূমিকা

বৰ্তমান একবিংশ শতিকাত পৃথিৱীখন উন্নত বিজ্ঞান আৰু প্ৰযুক্তিৰে ভৰি পৰিছে। প্ৰযুক্তিবিদ্যা আৰু বিজ্ঞানৰ সাফল্যৰ বাবে ভাৰতবৰ্ষত উন্নতিৰ পথত দ্ৰুতগতিত আগবাঢ়িছে। কিন্তু যুৱ প্ৰজন্মৰ শক্তি ব্যৱহাৰৰ ওপৰত এই গতি যথেষ্ট নিৰ্ভৰ কৰে। যুৱ শক্তিয়ে কৰিব নোৱাৰা কাম একো নাই। যুৱশক্তিয়ে গঢ়িবও পাৰে ধ্বংস কৰিবও পাৰে। এগৰাকী যুৱ প্ৰজন্মক আন্তৰাষ্ট্ৰ হৈ যাবলৈ ঘৰ-খনৰ তথা বিদ্যালয়খনৰ শিক্ষক সকলৰ যিমান ভূমিকা থাকে; সেই একেই পৰিমাণৰ ভূমিকা থাকে সমাজখনৰো।

বিশ্বৰ আটাইতকৈ শক্তিশালী শক্তিয়েই হৈছে যুৱশক্তি। আজি যুৱ প্ৰজন্ম কাইলৈ দেশৰ নাগৰিক, দেশৰ সম্পদ, ৰাজ্যখনৰ সম্পদ, সেইদৰে সমাজখনৰো সম্পদ। সমাজখনৰো দায়িত্ব থাকিব লাগে এগৰাকী যুৱ প্ৰজন্মক আন্তৰাষ্ট্ৰ নিৰ্মাণত। আধুনিক বিশ্বৰ সকলো ক্ষেত্ৰতেই যুৱসমাজ প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ আছে। নতুন প্ৰজন্মক আগবাঢ়ি যোৱাৰ পৰিৱেশ ৰচনা কৰিব পাৰে সমাজখনেই। বৰ্তমান সময়ত বহুত যুৱক-যুৱতীয়ে সমাজ কল্যাণ সংগঠন, প্ৰকৃতিপ্ৰেমী সংগঠন, অনাথ আশ্ৰম আদিৰ দৰে বহুতো জনহিতকৰ অনুষ্ঠানৰ লগত জড়িত হোৱাৰ দেখা যায়। জেষ্ঠসকলে সাহিত্য সংস্কৃতিৰ দিশত দিয়া পৰামৰ্শ দিলেও বহুখিনি উৎসাহিত হয় যুৱ প্ৰজন্ম। যুৱ প্ৰজন্মৰ এনে প্ৰচেষ্টাৰ ফলত সমাজখনলৈ নতুন নতুন চিন্তাধাৰাৰ লগতে মানুহৰ মানসিক স্তিতিৰো বহু পৰিমাণে সাল-সলনি ঘটিল। এই চিন্তাধাৰাৰ সমাজখনক আন্তৰাষ্ট্ৰ নিৰ্মাণৰ লগতে উন্নত সমাজ এখন গঢ়ি তোলাত সহায় কৰিলে।

প্ৰতিজন সচেতন নাগৰিকে ঐক্যৰ মাজত ভ্ৰাতৃত্ববোধৰ এনা-জৰীডাল সবল কৰি আগবাঢ়ি এজন নিকা সমাজ গঢ় দিয়াত যুৱ-প্ৰজন্মৰ অশেষ অৰিহণা আছে ।


আলোচিত সংস্কৃতিয়ে যুৱ প্ৰজন্মক বিশেষভাৱে আকৰ্ষণ কৰিছে । আলোচিত সংস্কৃতিসমূহক বৰ্তাই ৰখাটো। নৱপ্ৰজন্মৰ বিশেষ-ভাৱে কৰণীয় কাৰ্য ।

ধন্যবাদেৰে
—সুস্মিতা পাঠক






# সূচীপত্ৰ




১. প্ৰবন্ধ — ১-১০

২. গল্পৰ চন্দ্ৰিকা — ১১-২২

৩. কবিতাৰ কানন — ২৩-৪৩

৪. অন্যান্য — ৪৪-৬০

ক) কুইজ — ৪৪-৪৭

খ) ফকৰা-যোজনা — ৪৮


গ) অনুগল্প — ৪৯

ঘ) অমৃতলোকৰ বাণী — ৫০-৫৪

ঙ) সাঁথৰ — ৫৫-৫৭

চ) কৌতুক — ৫৮-৬০

# প্ৰবন্ধ



একো একোটি বিশেষ মুহূৰ্তত
হৃদয়ত জাগ্ৰত হৈ উঠা ভাব,
অনুভূতি, অন্তৰত প্ৰতিফলিত হোৱা
সৌন্দৰ্য্য লিখকে নিজৰ দৃষ্টিভংগীৰে
প্ৰকাশ পায়,
সেই প্ৰকাশেই নাম পায়

~প্ৰবন্ধ


# পৰম্পৰাগত সংস্কৃতিৰ বাহক
# কণীযুঁজ আৰু ম'হ যুঁজ

ৰঙালী মানেই হ'ল অসমীয়াৰ জীৱন বেখা। ৰঙালী বিহুত বিভিন্ন ঠাইত উদযাপিত বিভিন্ন ধৰণৰ পৰম্পৰাগতভাৱে খেল প্ৰচলিত হৈ আছে। এই খেলসমূহৰ ভিতৰত অন্যতম হ'ল কণীযুঁজ। স্বৰ্গদেউৰ দিনৰ পৰাই কণীযুঁজৰ পৰম্পৰা চলি আহিছে। অসমীয়া সংস্কৃতিৰ অন্যতম প্ৰতীক হ'ল কণীযুঁজ। দেখা যায় যে গাঁৱৰ ডেকা-ল'ৰাসকলোৱে ফাগুন মাহৰ পৰাই কণী সংগ্ৰহত ব্যস্ত হৈ থাকে। বিভিন্ন ঠাইৰ পৰা কণী গোটাই তেওঁলোকে নখ, দাঁত বা ঢুলিয়ে ভাল হয় নে নহয় নিৰ্ধাৰণ কৰে। অভিজ্ঞতা অনুসৰি ফেঁচা গোবৰত কণী খুতি মল টান হয় পুলি পোৱা হয়, ৰঙালী বিহুৰ প্ৰথম দিনা অৰ্থাৎ গৰু বিহুৰ দিনাৰ পৰাই কণী যুঁজ খেলাৰ আৰম্ভণি হয়। সাধাৰণতে হাঁহ কণী, কুকুৰাৰ কণী যুঁজত খেলা হয়। বৰ্তমান সময়ত দোকানৰ কণী কিনি আনি এই যুঁজৰ অস্তিত্ব বৰ্তাই ৰাখিছে।

বৰ্তমান কণীযুঁজ গাঁৱৰ পথাৰ যে আনুষ্ঠানিক সমাজত প্ৰতিযোগিতামূলক খেল হৈ জনমানসত প্ৰচাৰ জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছে।

ম'হ যুঁজ অসমৰ এটা প্ৰাচীন খেল। আহোম স্বৰ্গদেউৰ দিনৰে পৰা এই খেল প্ৰচলন হৈ আহিছে। বিশেষকৈ স্বৰ্গদেউ প্ৰমত্তসিংহই এই খেল উপভোগ কৰিবৰ বাবেই ৰংঘৰ নিৰ্মাণ কৰাইছিল। সাধাৰণতে মাঘ বিহুত ম'হ যুঁজ অনুষ্ঠিত কৰা হয়। ম'হ যুঁজৰ বাবে ম'হক বহুদিনৰ পৰাই প্ৰস্তুত কৰা হয়। এই খেলত দুটা ম'হে পৰস্পৰে পৰস্পৰৰ লগত যুঁজ কৰে আৰু যিটো ম'হ পলাই যায়, তাক পৰাজিত বুলি ধৰা হয়।

ম'হ যুঁজৰ বাবে শিৱসাগৰৰ ৰংঘৰ, মেদেলিপথাৰ, বগীনদী, কোঁৱৰপুৰ, আহতগুৰি আদি ঠাইত অনুষ্ঠিত হয়। বৰ্তমান আহতগুৰিৰ ম'হ ম'হ যুঁজৰ বাবে অসম বিখ্যাত।




বিজলী চিৰিংগীয়া
তৃতীয় ষাণ্মাসিক


# সময়ৰ মূল্য

"পল পল দণ্ড কৰি সময় গৈছে বৈ
পাছি লগা কাৰণ নিচিনা অথিৰ গতি।"

'সময়' হ'ল এটা বৰ আংঘাটিক বস্তু। কাৰণ ই যেতিয়া আছে, যেতিয়া আমি গমকে নাপাওঁ। সময়ৰ গতিক যদি মানুহে ৰোধ কৰিব পাৰিলেহেঁতেন তেন্তে মানুহৰ জীৱনো সময়ৰ দৰে অন্তহীন হ'লহেঁতেন। সময় মানুহৰ অমূল্য ধন। সময়ক কোনেও মূল্য দি কিনিব নোৱাৰে। ই কাহাৰো পৰাই কোনো মূল্য নিবিচাৰে। নদীৰ অনন্ত গতিৰ সোঁত আৰু সময়ৰ সোঁত একেই। সময়ৰ ডাঙৰ ভাগ বিলাক হ'ল যুগ, কল্প, শতাব্দী। মজলীয়া ভাগবিলাক হ'ল ঋতু, বছৰ, মাহ আৰু সৰু ভাগবিলাক হ'ল দিন, ৰাতি, প্ৰহৰ। তাৰো ক্ষুদ্ৰাংশ বিলাক হ'ল দণ্ড, পল, অনুপল। সময়ৰ সোঁতে কালৰ বুকুত মিলি গৈছে। আজি যিটো দিন পাৰ হৈ গ'ল তাক কোনো কালে, যুগে, জনমে আমি ঘূৰাই নাপাওঁ। সময়ৰ মূল্য অসীম। আমাৰ শৈশৱৰ অনুভূতি কৈশোৰত নাই। তেনেদৰে কৈশোৰৰ অভিজ্ঞতাও যৌৱনত নাই। সময় আমি কিহৰে কিনিম, কেনেদৰে ধৰি ৰাখিব পাৰিম বাৰু? উপায় আছে। সেয়া হৈছে কৰ্ম। কৰ্মই সময়ৰ মূল্য নিৰূপণ কৰিব পাৰে। কৰ্মই সময়ক ধৰি ৰাখিব পাৰে। যেতিয়া যিটো কাম তাক তেতিয়াই সম্পাদন কৰি তাৰ মূল্যৰে সময়ৰ মূল্য নিৰূপণ কৰিব পাৰি। "দুখ গ'লে বুদ্ধি, বৰষুণ গ'লে জাপি" সি মূল্যহীন। সময়ক মূল্য দিব নাজানিলে জীৱনত বিপৰ্যয় ঘটে। জীৱনলৈ ব্যৰ্থতা আহে। যি সময়ৰ মূল্য নুবুজে, তাৰ জীৱনৰ মূল্যও নাই। জাত




জীৱনত সময়ৰ মূল্য অতীতকৈ বেছি। জীৱন সুন্দৰ কৰি গঢ়ি তুলিবলৈ হ'লে বিষয়ে পঢ়াৰ আৰু জনাৰ প্ৰয়োজন। জীৱনৰ প্ৰতি খোজতে মানুহে সময়ৰ মূল্য উপলব্ধি কৰি কামত অগ্ৰসৰ হ'ব লাগে। আহাৰ, পানীও মানুহে সময়মতে খাব লাগে। শোওঁতে আৰু উঠোঁতেও সময় লক্ষ্য কৰি চলিব লাগে। এই যুগ প্ৰতিযোগিতাৰ যুগ। সময়ৰ সমষ্টিয়েই জীৱন। কিন্তু জীৱন ক্ষণস্থায়ী, কচুপাতৰ পানী। সেইবাবে প্ৰতি মুহূৰ্তকে ভাগ ভাগ কৰি লৈ নিৰ্দিষ্ট কামত অগ্ৰসৰ হ'ব লাগে। শিক্ষাৰ কৰ্ম জীৱনত প্ৰৱেশ কৰাৰ কালছোৱা জীৱনৰ প্ৰস্তুতিৰ সময়। বিদ্যাৰ্থী জীৱনত সকলো কামৰ দায়িত্বভাৰ গ্ৰহণ উপযুক্তা অৰ্জন কৰিব লাগিব এই শিক্ষাকালতে। গতিকে আহা আমি সকলোৱে সময়ৰ সদ্ ব্যৱহাৰ কৰি কৰ্তব্য পথত আগবাঢ়ি যাওঁ।



— শ্ৰীমতী কংকনা ভুঞা।
স্নাতক প্ৰথম ষাণ্মাসিক।


# চন্দ্ৰযান-৩



চন্দ্ৰযান-৩ হৈছে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ দ্বাৰা পৰিচালিত ভাৰতৰ তৃতীয় চন্দ্ৰ অভিযান। ২০২৩ চনৰ ১৪ জুলাইত শ্ৰী হৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপণ কৰা হৈছিল। চন্দ্ৰযান-৩ ৰ অভিযানৰ লক্ষ্য হৈছে চন্দ্ৰপৃষ্ঠত নিৰাপদ আৰু কোমল অৱতৰণ প্ৰদৰ্শন কৰা, চন্দ্ৰত ৰোভাৰ ৰভিং প্ৰদৰ্শন কৰা আৰু স্থানীয়ভাৱে বৈজ্ঞানিক পৰীক্ষা কৰা। চন্দ্ৰযান-৩ মহাকাশযানখনৰ সমগ্ৰ বোজা ৩৯০০ কিলোগ্ৰাম। চন্দ্ৰযান-৩ চন্দ্ৰৰ বিপদসংকুল দক্ষিণ মেৰুত অৱতৰণ কৰা হৈছিল। ভাৰতৰ বাবে এক বৃহৎ সাফল্য। কাৰণ ভাৰতে আমেৰিকা, ৰাছিয়া, চীনৰ পিছত চন্দ্ৰত উপস্থিত হোৱা চতুৰ্থতম দেশ হিচাপে নাম তুলিছিল। এই অভিযান মহাকাশ উদ্যোগৰ ক্ষেত্ৰত ভাৰতৰ ক্ষমতা প্ৰদৰ্শন কৰিছিল আৰু ভৱিষ্যত মহাকাশ অনুসন্ধানৰ বাবে নতুন গৱেষণাৰ মুকলি কৰিছিল।

চন্দ্ৰযান-৩ ত এটা লেণ্ডাৰ, এটা ৰোভাৰ আৰু আগবাঢ়ি যোৱাৰ বাবে এটা মডিউল আছে। চন্দ্ৰযান ৩ ৰ বাবে লেণ্ডাৰটো এই লক্ষ্যৰে নিৰ্মাণ কৰা হৈছে যে ই চন্দ্ৰত সূক্ষ্মভাৱে অৱতৰণ কৰিব পাৰে।

চন্দ্ৰযান-৩ তিনিটা মৌলিক উদ্দেশ্য আছিল। এটা হ'ল চন্দ্ৰৰ পৃষ্ঠত উপস্থিত হোৱাটো সুৰক্ষিত আৰু সহজ কৰি দেখুৱাবলৈ। পৰৱৰ্তী উদ্দেশ্য হ'ল চন্দ্ৰত ৰোভাৰৰ ব্যৱহাৰ কৰাৰ সৰ্বোত্তম উপায় কৰা। লগতে তৃতীয় উদ্দেশ্য হ'ল চন্দ্ৰৰ বাহিৰৰ পৃষ্ঠৰ উপৰত যুক্তিসংগত পৰীক্ষা কৰা।




পলাক্ষী বৰুৱা।

— স্নাতক পাঠ্যক্ৰম ষাণ্মাসিক।

Scanned with OKEN Scanner

# পুৰণি অসমীয়া সমাজ আৰু ধৰ্ম



পুৰণি অসম বা কামৰূপলৈ আৰ্যসকলৰ আচাৰ-ধৰ্মৰ সোঁত কেতিয়াৰ পৰা বৰলৈ ধৰিলে ইতিহাসে তাৰ একো সাক্ষী নিদিয়ে। 'কালিকা পুৰাণ' অসমত কামৰূপৰ আৰ্যীকৰণৰ ঘটনাৰ পিৰ খোজে নৰক নামে মিথিলাৰ এজন কোঁৱৰক। এওঁক মৈথিলী সীতাৰ দৰে জনক ৰজাই ঘৰত্ৰ পালিত হৈবাই পাইছিল। তেওঁৰ আচল পিতা বৰাহ বিষ্ণু আৰু মাতৃ ভূমী দেৱী। বিষ্ণুৱে তেওঁক প্ৰাগজ্যোতিষপুৰলৈ আনি কামাখ্যা দেৱীৰ পূজা ৰক্ষীয়া পাতি থৈ যায়। কামৰূপৰ আদিবাসীসকল হ'ল - 'ৰুক্ম - শ্মশ্ৰুৰ বৰণৰ, আকাৰণত মুণ্ডিত - মস্তক 'সাংকা তমাৰ', অন্ন - বৰ্জিত কিৰাত। নৰকে কিৰাত ৰাজ ঘটককে মাৰি পূবৰ দিক্কৰ বাসিনী ললিত - কান্তাৰ স্থান [বৰ্তমান তাম্ৰেশ্বৰী মন্দিৰ] সীমা কৰি এই আদিম বাসী - কিৰাতসকলক খেদি দিলে। তাৰ পিছত দ্বিজাতি সকলৰ কেৰাত আগমণ ঘটালে। এই কাহিনীৰ ঐতিহাসিক ব্যাখ্যা দিবলৈ গৈ ড° বাণীকান্ত কাকতিয়ে নৰকক তৃতীয়ৰ পৰা পঞ্চম শতিকাৰ মাজ ভাগত কামৰূপত পুষ্যবৰ্মা বংশৰ ৰাজ শক্তিৰে সংযোগিত। এই সময়ত উত্তৰ ভাৰতত ৩২০ খ্ৰীষ্টাব্দত গুপ্ত সম্ৰাটে প্ৰতিষ্ঠা লাভ কৰে আৰু গুপ্তসকলৰ ৰাজ - সত্ৰৰ শীতল ছায়াত হিন্দু ধৰ্মৰ নৱজাগৰণৰ ঢৌ বৰি উঠে।

অসমীয়া ভাষা - সাহিত্যৰ গঠন প্ৰক্ৰিয়া আৰু ইয়াত সংযোজিত উপাদানবোৰ নিৰীক্ষণ কৰিলে দেখা যায় যে কেইবাটাও বেলেগ বেলেগ উৎসৰ পৰা নিগৰি অহা সংমিশ্ৰণে ভাষাটোৰ বৈশিষ্ট্য বা গুণবোৰক প্ৰতিপন্ন কৰি আছে। ভাষাবিদসকলে আমাৰ ভাষাটো মূল সংস্কৃত আৰু মাগধী অপভ্ৰংশৰ লগত পালি আৰু অনাৰ্য কামৰূপী প্ৰাকৃতৰ সংমিশ্ৰণ ঘটাৰ ফলত উদ্ভৱ হোৱা মানৱীয় কথোপকথনৰ এখন বৈতৰণী সোঁতি বুলি স্বীকাৰ কৰে। ইয়াৰ অংকুৰণ প্ৰায় খ্ৰীষ্টীয় তৃতীয় বা চতুৰ্থ শতিকামানৰ পৰা হোৱা বুলি অনুমান কৰা হয়। যদিও নৱম-দশম শতিকামানৰ পৰাহে ভাষাটোৱে নিৰ্দিষ্ট স্বৰূপত প্ৰকট ৰূপ ধৰে।



Scanned with OKEN Scanner

আমোদ বাদ্যৰ কুশ কৰীয়া মানুহৰ সাহায্যকাৰীতো বহুতো আমোদ তুলীয় শাক আদি ইয়াত আগবঢ়াইছি।

## অসমত প্ৰচলিত ধৰ্ম সম্বন্ধীয় লোকবিশ্বাসসমূহঃ

সাধাৰণতে অসমীয়া সংস্কৃতি ভাৰতীয় সংস্কৃতিৰ লগত মিল দেখা যায়। কিন্তু প্ৰাচীন কালৰে পৰা কে তথ্য হৈছে যে, অসমীয়া জাতিটো বিভিন্ন সংস্কৃতি আৰু বহু জাতি-উপজাতিৰ সংমিশ্ৰণত গঠিত হৈছে। বৰ্তমান অধিবাসীসকলৰ উপবিষ্ণুকৰ-সকলে এৰি থৈ যোৱা মানৱ ইয়াত সমাবেশ ঘটিছে। কিন্তু অসমৰ লোক-সাহিত্য আৰু সংস্কৃতিৰ ওপৰত সকলো প্ৰভাৱৰ প্ৰধান হ'ল চীনীয় বা তিব্বত বৰ্মীয় প্ৰভাৱ। কিয়নো খ্ৰীষ্টীয় বহু শতিকাৰ পূৰ্বে চীনৰ দক্ষিণাঞ্চলৰ দেশ আৰু দেশবাসীৰ লগত অসমৰ সম্বন্ধ ঘটিছিল। চীন, তিব্বত, ভূটান আৰু ব্ৰহ্মদেশৰ লগত অসমৰ এতিয়াও ঘনিষ্ঠ সম্পৰ্ক আছে।

নাম :- শ্ৰীমতি ৰক্ষিতা দাস
শ্ৰেণী :- প্ৰথম ষাণ্মাসিক



Scanned with OKEN Scanner

পোৱা গৈছে। মানুহে কু-সংস্কাৰ লাগি অন্ধবিশ্বাসৰ কবলত পৰি নাৰীক ডাইনী সজোৱাও পৰিলক্ষিত হয়। বিশেষ অঞ্চলত শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত পিছপৰা তেনে অঞ্চলৰ কিছু মানসিকতা সম্পন্ন লোকে নাৰীক ডাইনী সজাই হত্যা কৰা দেখা পোৱা গৈছে। নাৰীসকলে চাৰিবেৰৰ মাজত আবদ্ধ হৈ থাকে বাবে তেনে অঞ্চলৰ নাৰীয়ে নাৰী সুৰক্ষা আইনৰ সম্পৰ্কে জ্ঞাত নোহোৱাৰ বাবে যুক্তিগত চিন্তা কৰিব নোৱাৰে। নাৰী-সকলৰ এনে দুৰ্বলতাৰ সুযোগ কিছু দুষ্ট লোকে লৈ নাৰীক ডাইনী সজাই হত্যা কৰে।




তদুপৰি বিধৱা, সন্তানহীন মহিলাসকলক কুলক্ষ-ণীয়া বা শাখিনি-পিশাচিনী বুলি কোৱা আমি দেখিবলৈ পাওঁ। কন্যাসন্তান জন্ম হ'লে হত্যা কৰা, বাল্য-বিবাহ, যৌতুক প্ৰথাৰ প্ৰচলন, বিধৱা নাৰীয়ে বগা কাপোৰ পৰিধান কৰা, মাংগলিক কাৰ্যত বিধৱাসকলক আঁতৰাই ৰখা আদিবোৰ আমাৰ সমাজত প্ৰচলিত হোৱা দেখা পোৱা যায়। মহিলা-সকলে নিজৰ নিজৰ অধিকাৰ, মৰ্য্যাদা বা সন্মান তথা জাতিগত সত্তা জীয়াই ৰাখিবলৈ এনেধৰণৰ কু-সংস্কাৰৰ বিপক্ষে মাত দিব লাগে।

নাৰী নিৰ্যাতন ৰোধ কৰিবলৈ আমি নাৰী-সকলক সজাগ-সচেতন কৰি তুলিব লাগিব। তেওঁলোকক তেওঁলোকৰ অধিকাৰ, মৰ্য্যাদা ইত্যাদিৰ বিষয়ে জ্ঞান দিব লাগিব বিভিন্ন অনুষ্ঠান পাতি। গাঁও-নগৰ, চহৰ সকলোতে নাৰীসকলক যিমান পাৰি শিক্ষাৰে শিক্ষিত কৰিবলৈ চেষ্টা কৰা উচিত। তেতিয়া এই নাৰী নিৰ্যাতন ৰোধ হ'ব। নাৰীসকল একগোট হৈ জাতি, বৰ্ণ, ধৰ্ম, লিংগ, ভাষা ইত্যাদি নিৰ্বিশেষে একত্রিত হৈ অন্যায়ৰ

ত্যাগৰ নেৰদান আমাৰ চকুত পৰিলক্ষিত হয়। যেনে– জয়মতী, মূলা গাভৰু ইত্যাদি। তেওঁলোক ইতিহাসৰ পাতত সোণালী আখৰেৰে জিলিকি আছে।

ভাৰতত নাৰীক সদায় পুৰুষতকৈ উচ্চ স্থান দিয়া হয়। সকলো ক্ষেত্ৰতে নাৰীয়ে পুৰুষৰ সমানে আগবাঢ়ি গৈছে। যিদৰে ~~পুৰুষণি~~ পুৰণি কালছোৱাত নাৰীক বহুতো দিশত অৱহেলা কৰা হৈছিল। যেনে- শিক্ষাৰ দিশটোকে কব পাৰোঁ। নাৰীসকল ঘৰতে কাম কৰোৱাই ব্যস্ত কৰি ৰাখিছিল। নাৰীসকলে কোনো ধৰণৰ মাত- মাতিব পৰা নাছিল। কিন্তু সময়ৰ সোঁতত বৰ্তমান নাৰী সবলীকৰণৰ গুৰুত্ব দিয়া হৈছে। নাৰীৰ সুৰক্ষাৰ বাবে যিদৰে এচাম লোক সচেতন হৈছে কিন্তু আন এচাম দুষ্ট লোকে নাৰী নিৰ্যাতনক লৈ ছেওলি খেলিছে। নাৰীসকলক লৈ হোৱা নিৰ্যাতনে বহুতৰে দুচকু সেমেকাই তোলে।




বৰ্তমান সমাজত নাৰী নিৰ্যাতন এক চিন্তনীয় বিষয় হৈ পৰিছে। নাৰী নিৰ্যাতন শব্দটোৱে এগৰাকী মহিলাক নাৰী হোৱাৰ বাবে কৰা যিকোনো ধৰণৰ নিৰ্যাতন-ক বুজায়। এই ধৰণৰ নিৰ্যাতনক 'লিংগভিত্তিক হিংসা বা লিংগভিত্তিক নিৰ্যাতন' "পাৰিবাৰিক হিংসা" বুলিও কব পাৰি। নাৰী নিৰ্যাতনে শাৰীৰিক, মানসিক নিৰ্যাতনক সামৰায়। বিশেষকৈ বৰ্তমান যৌতুকৰ কাৰণত নাৰীক কৰা অত্যাচাৰ, নাবালিকা কিশোৰীক ধৰ্ষণ কৰা ইত্যাদি দিশ সামৰি লৈছে। সমাজত কয় যে নাৰী নিৰাপদে পুৰুষৰ লগত কিন্তু পুৰুষসকলেই নাৰীসকলক নিৰ্যাতন কৰি আহিছে। কিছুমান নিচাযুক্ত দ্ৰব্য সেৱন কৰি নাৰীসকলক বিনা কাৰণতে অত্যাচাৰ কৰা দেখা

যিসকলে মুক্ত দিয়া হৈছে। যিসকলে নাৰীক লৈ নিৰ্যাতন কৰে বা নাৰীক দুৰ্বল বুলি ব্যৱহাৰ কৰে তেনে লোকক কঠোৰৰ পৰা কঠোৰতম শাস্তি দিয়া হৈছে। তেতিয়া তেনে কাম কৰিবলৈ কিছু লোকৰ অসুবিধা হৈ যাব। আৰক্ষীৰ থানাতে থাকি দিয়া মহিলা নিযুক্ত আনি কৰা হৈছে। সমাজৰ সকলোৱে যদি এই বিষয়ৰ ওপৰত সজাগ হৈ আগ বাঢ়ে নিশ্চয় এই নাৰী নিৰ্যাতন বন্ধ হ'ব।

— পাখী তাঁতী।
স্নাতক পাঠ্যক্ৰম ষাণ্মাসিক।




গল্পৰ চয়নিকা
নদী বৈ যায়, বৈ যায় বালি
সময় বৈ যায়, বৈ যায় স্মৃতি
এৰি অহা দিনবোৰ, আপোনবোৰ
সকলোবোৰে স্মৰণীয়া....
সেই আপোনৰ পৰা লৈছি সুখ
দুখৰ কাল্পনিক চিত্ৰ আঁকি
আনুৰে কৰিছোঁ আপোনাৰ
সেওঁলি....

# দেউতাৰ ত্যাগ

এটি পূৰ্ণিমা জোনাক নিশা। ঘৰৰ বাৰাণ্ডাত বহি হিয়াই জোনাক নিশাৰ জোনটো চাই আছে। ইমান সুউজ্জ্বল পূৰ্ণিমাৰ জোন। আজি ২৫ ডিচেম্বৰ। আজি দিনটোতে হিয়াৰ জন্ম হৈছিল। তাই ঘৰৰ একমাত্ৰ সন্তান। তাইৰ দেউতাকে চাকৰি সূত্ৰে বাহিৰত থাকে। ঘৰত মাক আৰু হিয়া। তাইক মাক - দেউতাকে বহুত মৰম কৰিছিল। তাইৰ জন্মদিনত দেউতাকে বহুত ধুনীয়া ধুনীয়া উপহাৰ দিছিল। এইবাৰো তাইৰ জন্মদিন পাতিবলৈ দেউতাকে এসপ্তাহৰ ছুটি লৈ ঘৰলৈ আহিছিল। তাই যেন আনন্দৰ সীমা নাই। তাই যেন জনাই নাছিল সেই আনন্দ মনতেকোৱা। জন্মদিনৰ দিয়া পুৱা দেউতাক আৰু বৰদেউতাকৰ ল'ৰা খাৰি বজাৰলৈ বুলি ওলাই গৈছিল। তেওঁলোক ওলাই যোৱা বহুসময় পাৰ হৈ গ'ল। সন্ধিয়া প্ৰায় ৮ বাজি গ'ল। কিন্তু তেওঁলোক আহাই নাই।

মা ইমান দেৰি হ'ল দেউতাহঁত অহাই নাই যে, আজেনী দেউতাহঁত আহিব; তুমি শুই থাকা গৈ নহ'ব দেউতা আহিব লাগিব; তুমি শুই থাকা গৈ, নহ'ব দেউতা আহিব লাগিব। তুমিতো জনাই আজি মোৰ জন্মদিন, দেউতাই নিশ্চয় মোলৈ জন্মদিনৰ উপহাৰ আনিব, কিন্তু আজেনী বহুত সময় হ'ল তোমাৰ কালিলৈ স্কুল আছে, নহয়, ..... নহ'ব দেউতা আহিব লাগিব।

হঠাৎ গাড়ীৰ শব্দ। মোৰা দেউতা আৰু দাদা আহিছে। দেউতা, দেউতা আহিলা কি আনিছা মোলৈ, দেউতা তুমি নামাতা কিয়? দাদা তোমাৰ চকুত চকুপানী যে, কি হৈছে কোৱা চোন দাদা .....

কি হৈছে আপোনাৰ, একো নকয় কিয়? খাৰি কি হৈছে কোৱা চোন মোক, তুমি কান্দিছা কিয়? কি হৈছে আকলো তাণ্ডি-পাতি কোৱা চোন,

আমি ঘৰৰ পৰা ওলাই অলপ দূৰ যোৱাৰ পাছত এটা দুৰ্ঘটনাৰ সন্মুখীন হৈছিলো। সেই দুৰ্ঘটনাৰ এজনী



Scanned with OKEN Scanner


কণআনি এবাৰ লগা ছোৱালীয়ে তাইৰ চকুযোৰ হেৰুৱাইছিল।
কণআনিজনীয়ে এই ৰঙীণ পৃথিৱীখন উপভোগ কৰাৰ আগতে
একেবাৰে আজি শেষ হৈ গ'ল অ' খুৰী। কিন্তু.....
কিন্তু কি আছিল.......
খুৰী সেই কণআনিজনী একেবাৰে দুখীয়া দৰিদ্ৰ ঘৰৰ ছোৱালী,
দেউতাকে দিন হাজিৰা কৰি যেনে তেনে জীৱন যাপন কৰি
আছে, কেনেকৈ চিকিৎসা কৰিব দেউতাকে এবাৰ লগা
কণআনিজনীৰ; কণআনিজনীৰ, কণআনিজনীৰ অৱস্থা দেখি
খুৰাৰ বৰ বেয়া লাগিছিল।
সেয়ে খুৰাই.....
খুৰাই কি কৈ গ'লা যে,
মানে খুৰাই চিকিৎসাৰ সম্পূৰ্ণ খৰচ কৰাৰ
উপৰিও খুৰাই কণআনিজনীক খুৰাৰ চকুহাল
দান দি আহিল অ' খুৰী।
কি.....
অ' খুৰী; খুৰাই চকুহাল দান কৰিলে, নিজে
অন্ধকাৰত জীৱন কটোৱাৰ সিদ্ধান্ত লৈ কণআনি
জনীৰ জীৱনত পোহৰ আনিলে।
দুখ নকৰিবা মা, ভগৱানক ধন্যবাদ দিছোঁ
মোক এনে এজন দেউতা দিয়া বাবে, যিয়ে
নিজৰ সুখৰ কথা চিন্তা নকৰি, এক-
বীৰত্ব দেখুৱাই এক কৰুণ নিদৰ্শন দিছে।

সঁচায় দেউতা এক অপৰিসীম শব্দ। দেউতাৰ এই ত্যাগৰ
বাবে মই গৌৰববোধ কৰো। দেউতাৰ বাবে আজি সেইঘৰত
সুখ আহিছে, কণআনিজনীয়ে ৰঙীণ পৃথিৱীখন উপভোগ কৰিব
পাৰিছে। আপোনবোৰ পূৰ কৰিব পাৰিব। দেউতাৰ ত্যাগৰ
বাবেই কণআনিজনীৰ জীৱনলৈ পোহৰ আহিছে। যান্ত্ৰিকতা আৰু
কৃত্ৰিমতাৰে ভৰা বৰ্তমান সমাজত যেন ক'ৰবাত এতিয়াও মানৱতা
জীয়াই আছে। এয়া যেন তাৰে পৰিচয়। দেউতা আজি তুমি মোক
জন্মদিনৰ বাবে শ্ৰেষ্ঠ উপহাৰ দিলা; 'মানৱতাবোধ'।

— দিপ্সী গগৈ

# এজাক ধুমুহা

পৃথিৱীৰ বৃহৎ নদীদ্বীপ মাজুলীৰ মাজত অতিয়াও অৱস্থিত এখন গাঁও। গাঁওখনৰ নাম হৈছে শালমৰা। এই গাঁওখনৰ কাষেৰে বৈ গৈছে মহাবাহু ব্ৰহ্মপুত্ৰ। শালমৰা গাঁৱৰ এটি দুখীয়া পৰিয়ালৰ লোক হৈছে যজ্ঞাকান্ত। যজ্ঞাকান্ত দুখীয়া যদিও তেওঁৰ পত্নী পূৰ্ণিমা আৰু একমাত্ৰ পুত্ৰ সন্তান দিব্যজ্যোতিৰ সৈতে এখন সুখৰ সংসাৰ। যজ্ঞাকান্ত দুখীয়া আছিল যদিও পৰিয়ালটোক লৈ সুখী আছিল।




প্ৰতি বাৰে বানে গ্ৰাস কৰা শালমৰা গাঁও অতি দুখীয়া আৰু পাৰ্থিৱ লোকসকল দুখী আছিল। বানপানী হ'লেই যজ্ঞাকান্তই ভালেই পাইছিল কিয়নো তেওঁ গাঁৱৰ কাষতে অথবা ব্ৰহ্মপুত্ৰৰ বুকুত উটি অহা কাঠবোৰ যিমান পাৰে জমা কৰি ৰাখি, খৰালি সেই কাঠবোৰ অধিক দামত বিক্ৰী কৰি টকা উপাৰ্জন কৰিছিল। তেওঁৰ এই কামত তেওঁৰ পুত্ৰ দিব্যজ্যোতিয়ে যিমান পাৰে সহায় কৰিছিল। এনেদৰে সুখ-দুখৰ মাজেৰে দিনবোৰ পাৰ হৈ গৈছিল। সময় গতিশীল। হঠাৎ সিহঁতৰ ঘৰলৈ নামি আহিল এজাক ধুমুহা। সেইদিনা আছিল ৰবিবাৰ। দিব্যজ্যোতিৰ স্কুল বন্ধ। প্ৰতিদিনৰ দৰে দুপৰীয়ালৈকে যজ্ঞাকান্ত আৰু দিব্যজ্যোতিয়ে মিলি বহুতো কাঠ সংগ্ৰহ কৰিছিলে। ঠিক দুপৰীয়া সময়ত এডাল ডাঙৰ কাঠ ব্ৰহ্মপুত্ৰৰ সোঁতৰ লগত উটি অহা যজ্ঞাকান্তৰ চকুত পৰিল। যজ্ঞাকান্তই দিব্যজ্যোতিক পাৰত থৈ কাঠডাল ধৰিবলৈ উঠি পানীলৈ নামি গ'ল। কিন্তু যজ্ঞাকান্ত কাঠডালৰ ওচৰত পোৱাৰ লগে লগেই ব্ৰহ্মপুত্ৰৰ এটা প্ৰকাণ্ড পাকনীৰ মাজত সোমাই পৰিল। তেওঁ বাচাৰ চেষ্টা কৰিও পৰিত্ৰাণ পাব নোৱাৰিলে। অৱশেষত তেওঁ মৃত্যুক আঁকোৱালি ল'লে।

যজ্ঞাকান্ত দুখীয়া আছিল যদিও গাঁৱৰ সকলোৰে প্ৰিয় আছিল। দিব্যজ্যোতিহঁতৰ পৰিয়াললৈ আহিল এক

পৰিৱৰ্তন। মাক পূৰ্ণিমাই দৌঁৰৰ মাৰে মাৰে কাম কৰি কোনোবা এবেলা খাই আৰু কোনোবা এবেলা লোটি পানী খাই দিন অতিবাহিত কৰিছিল। দিব্যজ্যোতিৰ আছিল মাকৰ পৰা লব্ধ চোকা মেধা শক্তি। তেওঁ সকলো বাধা আৰ্থিক সমস্যাৰ মাজত নিজকে আগুৱাই নিবলৈ আপ্ৰাণ চেষ্টা কৰিলে।

সময় পাৰ হৈ থাকিল। দিব্যজ্যোতি দশম শ্ৰেণী উত্তীৰ্ণ হৈ মেট্ৰিক পৰীক্ষাত বহিল। তেওঁ চেষ্টা আৰু কঠোৰ ফলত অসমৰ ভিতৰত প্ৰথম স্থান লাভ কৰি সফল হ'ল। তাৰ পাছৰ সময়ছোৱা আৰু উচ্চ শিক্ষা গ্ৰহণ কৰিলে। তেওঁৰ সপোন আছিল এজন প্ৰবক্তা হিচাপে নিজকে পৰিচিত কৰা। তেওঁ ভাবিলে এয়া তেওঁৰ সুবৰ্ণ সুযোগ। তেওঁ ভালদৰে নিয়মিত অধ্যয়নত মনোনিৱেশ কৰিলে। বি.এ, এম.এ. পৰ্যন্ত পাছ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবক্তা হিচাপে পৰিগণিত হ'ল। তেওঁৰ বহুদিনৰ আশা-আকাংক্ষা পূৰ হ'ল।

তেওঁ এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবক্তা হিচাপে কৰ্মজীৱনৰ পাতনি মেলিলে। আগতে ছিঙা-খোৱা প্ৰবল ক্ষুধাৰ পৰা তেওঁ বহুখিনি আঁতৰি আহিছে। দিব্যজ্যোতি এতিয়া সুখী, তেওঁ আৰু পূৰ্ণিমা, সহধৰ্মিণী পত্নী প্ৰত্যাশী আৰু পুত্ৰ আৰু পৰীৰ সৈতে এখন সুখৰ সংসাৰ।




— দীপশিখা ৰয়।
স্নাতক পঞ্চম ষাণ্মাসিক।

# ছোৱালীবোৰৰ ভাষাতেই

ছোৱালীবোৰো চিন্তা হয়,
কোনে কৈছে কৰ্মহীনতাৰ চিন্তা কেৱল
ল'ৰাবোৰৰে হয় বুলি ....
আৰে... মোৰ নিচিনা ছোৱালীক আধা
ৰাখি মূৰৰ উপৰত কোনো দাদাৰ হাত নাই
দেউতাৰ বয়স বাঢ়ি গৈ আছে ।

তেওঁলোকে যক্ষ কোঠাত অৱকাশত থাকি অকলেই বহু কথা ভাবে, পোৱা-নোপোৱাৰ হাজাৰটা প্ৰশ্নই জীৱনটো আউল লগাই তুলে, সমাজৰ সৌতত নিসংগতাৰ প্ৰান্তত পৰি চিংখিওৱা প্ৰভাৱৰ হি পাৰে, আৰু বাবে বিভিন্ন সময়ত পাৰিবাৰিক পৰ্যাও নানান কৰকথা শুনে। অথচ কাকোৱে একো বুলি কব নোৱাৰে। সমাজে প্ৰতি যেন তেওঁলোকৰ কোনো আক্ষেপ নাই। বুকুত এটা প্ৰচণ্ড বিষাদৰ টোপোলা কঢ়িয়াই মুখৰ হাঁহি মুখেৰেই সমাজখনৰ দিশত গতি কৰে আন এক যাত্ৰাত... যি যাত্ৰাৰ শেষ তেওঁলোকৰ বাবে এক ডাঙৰ প্ৰশ্ন ।




— জেচমিন বেগম ।
স্নাতক প্ৰথম ষাণ্মাসিক ।

# শ্ৰাদ্ধ

আজি দেৱশ্ৰীৰ মনটো বহুত ভাল । আজি প্ৰায় ১২ বছৰৰ মূৰত তেওঁৰ স্বামী নিবিড় ঘৰলৈ আহিব । নিবিড় স্থাপত্যবিদ । ইংলেণ্ডত আভাসী কৰ্মৰত । সীমান্তত থাকিব লাগে । আজি ইমান বছৰৰ মূৰত আত্মীয়জন ঘৰলৈ আহিব, দেৱশ্ৰীৰ মনত উৎসাহ নাই, ইমান যে স্মৃতি ... ।

মনী (ঘৰৰ কামকৰা বাই) : জনকোন তেওঁ যোৱাকালি বৰ্ণা আকৌ ... এতিয়া আমি [illegible] চোন । এই মানুহ ভয়কাৰী মন পালেং [illegible] । এনেতে মোৰ স্বামীৰ টিঙা মানুহ [illegible] যেইখনে তেইমন আজ্ঞা আজি [illegible] থাকিম ।



[illegible], চাচোন বাইদেউ কেনেকৈ বহা আছে মোৰ পিন্ধি আছো ... ইচ এনেতে দেখিলে কম দুখ পাবনে, বৰা বহুত আছে এযোৰকে পিন্ধি লও । এই সাধু ... মোৰ বৰা চাদৰখন কত গ'ল অ ... মোৰ মনত চোন পোৱা নাই। এনেতে মোৰ বৰা আজযোৰত দেখিছোঁ প্ৰথম প্ৰেমত পৰিছিল । আজি সেই তেইযোৰেই পিন্ধিম চাই দে চোন ।

সাধু ... দেৱশ্ৰীৰ কন্যা । বিয়া হোৱা ৫ বছৰ হ'ল । দুদিনমান হ'ল ঘৰলৈ অহা । আলস্যীয়ে আনফালে বহি কথা পাতি আছে । তেনেতে দেৱশ্ৰীয়ে এনেত আহিলেই চাগে দুলি তেনেদৰেই দৌৰি উলাই গ'ল । আঁতৰে আলস্যীৰ মাতৰ পাহা দুই এটা কথা কাণত

পাহৰিলি... 'সভা আহ কিন্তু,' ১2 বছৰ লাগতেই তোৰ..."
এইবোৰলৈ বিশেষ গুৰুত্ব নিদি জাহ্নবীয়ে আগফালে বাৰান্দাত চকী এখন পাৰি বহিলহি। এনেতে আহিলহি ঋষভ...। তেনেতে এখন আহাৰ আৰ্মী গাড়ী জাহ্নবীহঁতৰ ঘৰৰ সন্মুখত ৰখিলহি আৰু নিবিড় গাড়ীখনৰ পৰা নামি আহিছে।



পালেহি...?


হয়... পালোহি, ব'লা।

ব'লা...? কিন্তু ক'ত?

এইবাৰ আহি তোমাক মোৰ লগত লৈ যাব আহিছো। মোৰ অবিহনে তোমাৰ ইয়াত খুব কষ্ট হৈছে।

এইবুলি নিবিড়ে জাহ্নবীৰ হাতত ধৰি লৈ যাব লৈছে।


জাহ্নবী : উফ্! কিবা এটা সপোন পাতল পাতল লাগিছে! এইবুলি [illegible] পিছলৈ ঘূৰি চাই দেখিলে যে তাই চকী খনত এ[illegible]হা হৈ পৰি আছে আৰু কাষতে তাই পুত্ৰ-কন্যাই কান্দি আছে।




— যেচমিন বেগম।
স্নাতক প্ৰথম ষাণ্মাসিক।

# জীৱনৰ বিয়লি বেলাত

অজিত আৰু প্ৰণতি দুয়ো পশ্চিম আকাশত দূৰ ধৰা বেলি-টোলৈ চাই আছে। বৰ্তমান তেওঁলোক এখন বৃদ্ধাশ্ৰমৰ বাসিন্দা। তেওঁলোক দুয়ো আজিৰ পৰা প্ৰায় ৩০-৩৫ বছৰমান আগলৈ উভতি গৈছে। অজিত আৰু প্ৰণতিৰ এটি সন্তান আকাংক্ষাৰ সৈতে তেওঁলোকৰ এখন সুন্দৰ সংসাৰ আছিল। অজিতে দিন হাজিৰা কৰি পোৱা টকা কেইটাৰে সুন্দৰকৈ সংসাৰখন চলাইছিল। লাহে লাহে তেওঁলোকৰ সন্তান আকাংক্ষা ডাঙৰ হৈ আহিল। তাৰ প্ৰয়োজনীয় সামগ্ৰীও ক্ৰমান্বয়ে বাঢ়ি আহিল। দেউতাকৰ হাজিৰা কৰা পইচা কেইটাৰে কাপোৰ-কানি যোগাইছিল। তথাপিও আকাংক্ষাক মাক-দেউতাকে কেতিয়াও একো বস্তুৰে অভাৱ অনুভৱ কৰিবলৈ দিয়া নাছিল। মাক-দেউতাকৰ আকা-ংক্ষাক লৈ এটাই আশা সি পঢ়ি-শুনি ডাঙৰ মানুহ হওঁক তাৰ ভৱিষ্যতে সুন্দৰ হওঁক। আকাংক্ষা পঢ়া-শুনাত বৰ ভাল ল'ৰা শ্ৰেণী-টোৰ আটাইতকৈ মেধাৱী ছাত্ৰ। মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে পাছ কৰি আকাংক্ষাই মাক-দেউতাকৰ লগতে বিদ্যালয়খনৰো নাম ৰাখিলে। হায়াৰ চেকেণ্ডেৰীতো আকাংক্ষাই ভাল ৰিজাল্ট কৰিলে। কলেজত ভৰি দিয়াৰ লগে লগেই আৰু দ্ৰুত গতিত আকাংক্ষাৰ জীৱন আগ-বাঢ়িলে। আজিকালি প্ৰায়ে সি কিতাপ পত্ৰ মাজতে ব্যস্ত থাকে। লাহে লাহে শিক্ষা জীৱনে আকাংক্ষাক নতুন এটা গতি দিলে। আকা-ংক্ষা পঢ়া-শুনাত মেধাৱী বাবেই কলেজ কৰ্তৃপক্ষই তাক বিদেশত পঢ়িবলৈ সুবিধা দিলে। আকাংক্ষাই বিদেশত পঢ়িয়েই শিক্ষা সাং কৰি বিদেশত এটা চাকৰি পালে। এই খবৰটো পাই মাক-দেউতাক আটাইতকৈ সুখী হৈছিল। কেতিয়াবা চাকৰিৰ ছুটি পালে ঘৰলৈ আহি মাক-দেউতাকৰ খবৰ ল'বলে। কিন্তু চাকৰি পোৱাৰ কিছু বছৰ হৈ যোৱাৰ পাছত আকাংক্ষা সলনি হৈ গ'ল। বহুদিন হ'ল সি ঘৰলৈও অহা নাই। এদিন হঠাৎ আকাংক্ষা ঘৰলৈ আহিল আৰু সি মাক-দেউতা-কক কলে যে, সি বিদেশতে বিয়া কৰাইছে। মাক-দেউতাকৰ মূৰত সৰগখন ভাগি পৰা যেন লাগিল। কিন্তু তেওঁলোকৰ একমাত্ৰ সন্তান আকাংক্ষা সুখী হোৱাৰ স্বাৰ্থত মাক-দেউতাকে তাৰ বিয়াৰ কথাটো মানি ল'লে। লাহে লাহে অজিত আৰু প্ৰণতি দুয়ো বৃদ্ধ অৱস্থাত ভৰি দিলে। তেওঁলোক দুয়োৰে আকাংক্ষা আহিব আহিব বুলি সদায় পদূলি লৈ চাই



থাকে। কিন্তু, সি এদিনো নাহিল। থাকে তাৰ কথা মনত পেলাই সদায় চকুপানী টুকে।




হঠাৎ কাৰোবাৰ মাতত অজিত আৰু প্ৰণতিৰ ধ্যানত যতি পৰিল। বৰকেউতা, বৰমা সান্নিধ্যা চাহ খাবৰ হ'ল ভিতৰলৈ আহক। তেওঁলোক দুয়োৰে পিছফালে ঘূৰি চালে, দেখিলে নিলাক্ষীয়ে তেওঁলোকক মাত দিছে। অজিতে নিলাক্ষীক তুমি ব'লা আমি গৈ আছো বুলি ক'লে প্ৰণতিয়ে দুখ কৰাত অজিতে ক'লে তুমি দুখ নকৰিবা আমি আমাৰ সন্তানক দিয়া সংস্কাৰখিনি হয়তো ক'ৰবাত ভুল হৈ গ'ল। তাক আমি মানুহ হ'বলৈহে শিকালোঁ, কিন্তু দায়িত্বশীল কৰিব নোৱাৰিলো। সি কিতাপৰ শিক্ষাহে বেছিকৈ ল'লে, জীৱনৰ শিক্ষা সি একেবাৰেই নল'লে। একো নহয় প্ৰিয়া দুখ নকৰিবা জীৱনৰ গধূলি বেলাত আমাক সংগ দিবলৈ আমাৰ সন্তানহে নাই, কিন্তু নিলাক্ষী দেখোন আমাৰ লগতেই আছে। এই নিলাক্ষীয়ে দেখোন আমাৰ দৰে কত দুৰ্ভগীয়া পিতৃ-মাতৃক নিজ সন্তানৰ দৰে দায়িত্ব বহন কৰিছে। ব'লা সান্নিধ্যাই হ'ল আমি ভিতৰলৈ যাওঁ। কেতিয়াৰ পৰা যে আমি আমাৰ অতীতৰ স্মৃতিবোৰ ৰোমন্থন কৰি আছিলোঁ গমেই পোৱা নাছিলোঁ।

নাম:- শ্ৰীমতী প্ৰজ্ঞাশ্ৰী বৰুৱা
শ্ৰেণী:- পঞ্চম ষাণ্মাসিক

## বন্ধুত্ব


"বন্ধুত্ব" এটি মিঠা মৰম লগা আৰু আদৰৰ শব্দ। ই হৈছে স্বৰ্গীয় অনুভূতি, যাক অনুভৱ কৰিব পাৰি। কিন্তু প্ৰকাশ কৰিব নোৱাৰি। চক্ৰেটিছৰ ভাষাত "Friendship is one soul in two bodies" — এই বন্ধুত্বৰ মাজতে লুকাই থাকে মৰম — স্নেহ, শ্ৰদ্ধা, ভক্তি, আবেগ অনুভূতি আদি। ইয়াৰ লগতে নিঃস্বাৰ্থ বিশ্বাস, অন্তৰংগ, প্ৰেৰণা, সমালোচনা, শুভাকাংক্ষী, সহযোগীতা, আপোন সম্ভাৱ আদি শব্দও জড়িত হৈ থাকে। বন্ধুত্ব হ'ল এনে এক পোহৰ যি এঁকা-বেঁকা জটিল আৰু নিৰস জীৱনটো আনি দিয়ে জীয়াই থকাৰ অনন্ত আৰু হাবিয়াস, আনি দিয়ে উচ্ছ্বাসৰ জোৱাৰ, সাহস আৰু অনুপ্ৰেৰণা।



বন্ধু বুলি কওঁতে আমি সহপাঠীসকলৰ লগত সৃষ্টি হোৱা সম্পৰ্কক্যেই বুজোঁ, কিন্তু গঢ়িবলৈ কোনো জাতি-বৰ্ণ বা বয়সৰ সীমা নাথাকে। এটি শিশু বা এজন বয়সস্থ লোক বা এজন বৃদ্ধও আমাৰ বন্ধু হ'ব পাৰে। বন্ধু হৈছে এনে এক সম্পৰ্ক যাৰ সান্নিধ্যত বিমল আনন্দৰে সৃষ্টি হয় এটা নিৰ্মল পৰিৱেশ। বন্ধুত্বৰ সান্নিধ্যৰ আমেজ সঁচাই সুকীয়া।

জীৱনৰ প্ৰতিটো স্তৰতে আমাক এজন প্ৰকৃত বন্ধুৰ প্ৰয়োজন হয়। যিয়ে বন্ধুত্ব গঢ়িব নাজানে বা যাৰ বন্ধু নাই। তেওঁ হয়তো জীৱনৰ মাদকতাই অনুভৱ কৰিব নোৱাৰে; আমি যতেই যাওঁ তাতেই আমাৰ মনে বিচাৰে এজন বন্ধু, বন্ধুৰ অবিহনে আমি হৈ পৰো চালকবিহীন গাড়ী, বন্ধুৰ সান্নিধ্যত জীপাল হৈ পৰে এটা পৰিৱেশ, সহপাঠী হ'লেতো তাৰ আনন্দই সুকীয়া। প্ৰথম বিদ্যালয়লৈ যোৱা মাৰ হাতৰ আঙুলিত ধৰি গৈছিলোঁ, এক অজান পৰিৱেশ, বহুতো অচিনাকী মুখ দেখিলে হয়তো মই উচুপি উঠিছিলোঁ,

কিন্তু ..... সেইদিনাৰ পৰা 'বন্ধু' শব্দটো কেনেকৈ সাংলগ্ন হৈ গ'ল উলকিবয়ে নোপোৱাছিলোঁ ? সময়ৰ দুৱাৰ টুকুৰিয়াই যেতিয়া আকৌ তোমাৰ লগ হওঁ, পুৰণি বন্ধুৰ সৈতে, মুখলৈ চাই স্মৃতিপটত নাম বিচাৰি হঠাৎ চিঞৰি উঠোঁ — 'অই' তোৰ পালনে ? আৰে তুমি ? আৰু তাৰ পাছত আৰম্ভ হৈ যায় এক দীঘলীয়া বাৰ্তালাপ। 'বন্ধুত্ব'ৰ জীৱনটো সঁচাকৈয়ে বৰ বিচিত্ৰ। এই জীৱনৰ মাজত নাথাকে কোনো ধৰণৰ বাধা, অভিমান আৰু কোনো কথাৰ সীমা নাথাকে। মাথোঁ থাকে অনাগত জীৱনত ভৱিষ্যতৰ সপোন।




জন্মদাত্ৰী মাতৃতকৈও আগতে যিবোৰ গোপন কথা কওঁ কৰিব পাৰি সেইজনেই হৈছে বন্ধু। বন্ধুৰ অবিহনে মানুহ অকলশৰীয়া হৈ পৰে। আজিকালি যেতিয়া এখন হাত আগবঢ়াই দিলে দুইখন হাতে আকোঁৱালি লবলৈ খোজে তেনেস্থলত অকলশৰীয়া হৈ থকাৰ প্ৰয়োজন বা ক'ত ? কিন্তু সময়ত দেখা যে, "ফেচবুক" "হোৱাটছএপ" বা অন্য উপায়েৰেও বহুতো বন্ধু - বান্ধৱীৰ সৈতে বন্ধুত্ব গঢ়ি উঠে; কিন্তু বন্ধুৰ নিৰ্বাচনৰ ক্ষেত্ৰত সতৰ্ক হোৱাটো দৰকাৰ, অন্যথা তেনেকুৱা বন্ধুৱে বিপদ মাতিব পাৰে। "বন্ধু" দৰে এটা পবিত্ৰ সম্পৰ্কত এনে ক্ষন্তস্থায়ী বন্ধু সাংযোগ কৰি কেতিয়াও কালিমা সানিব নালাগে। বন্ধুত্বৰ সম্পৰ্ক সুন্দৰ কৰি ৰাখিবলৈ সদায় বন্ধুজনৰ ভাল লগা, বেয়া লগা দিশবোৰৰ প্ৰতি দৃষ্টি ৰাখিব লাগে। তদুপৰি কোনো বিশেষ দিন বা কিবা সমস্যাই হওঁক তেওঁৰ সুখ - দুখৰ সমভাগী হ'ব লাগে। এইখিনিতে অসমীয়া এষাৰ কথা মনত ৰখা ভাল যে — "বিপদৰ বন্ধুহে আচল বন্ধু"। বৰ্তমান সময়ত পাশ্চাত্য দেশবোৰক অনুকৰণ কৰি সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো আগষ্ট মাহৰ প্ৰথম দেওবাৰৰ দিনটো "বন্ধুত্ব"ৰ দিন হিচাপে পালন কৰা হয়।

— মাৰ্চী বেগম
তৃতীয় ষান্মাসিক

# তেজৰ সম্পৰ্ক

আজি বতৰটো বৰ বেয়া কৰিছে। আকাশখন ডাৱৰে ছানি ধৰিছে। প্ৰিয়ম্বদে বাৰাণ্ডাতে বহি তাই অতীতক ৰোমন্থন কৰিছে। কি যে ভয় লগা দিন আছিল সেইবোৰ। মাঘৰ বিহুৰ উৰুকা দিনাই প্ৰিয়ম্বদৰ স্বামীয়ে ইহ সংসাৰ ত্যাগ কৰি তাইক আৰু তেওঁলোকৰ একমাত্ৰ সন্তান জ্ঞানক এৰি থৈ গৈছিল। সেই দিন ধৰি তাই অতি কষ্টৰে তাক তোহপাল দি এজন অফিচাৰ হিচাপে গঢ় দিছিল আৰু বোৱাৰী হিচাপে এগৰাকী শিক্ষিত ছোৱালী বিয়া কৰাই দিছিল। কিন্তু বিয়াৰ কেইদিনমানৰ পিছতেই তেওঁৰ দুৰ্ভোগীয়া দিনবোৰ আৰম্ভ হৈছিল। কিন্তু পুত্ৰ আৰু বোৱাৰীৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি ৰাস্তাত শৰ্মা নামৰ এগৰাকী ব্যক্তিৰ ঘৰত আশ্ৰয় লৈছিল। সেই ব্যক্তি শৰ্মাই তেওঁৰ তেজৰ সম্পৰ্ক থকা পুত্ৰতকৈ আপোন হৈ পৰিছিল।



এদিন তেওঁ হঠাতে নাতিয়েকক লগ পাইছিল আৰু তেওঁক তেওঁ খুব মৰম কৰিছিল। তেওঁক নাতিয়েকে কৈছিল, "এইতো তুমি মা-দেউতাৰ ওচৰত থাকিলে আৰু কেতিয়াও নাহিবা।" নাতিয়েকে সেইদিনা গৈ মাক-দেউতাকক কৈছিল, "মা-দেউতা তোমালোককো আইতাৰ দৰে এজন মানুহ বিচাৰি থবা যাতে বৃদ্ধাৱস্থাত আশ্ৰয় লব পাৰা।"

নিশ্চীতা বৰুৱা
তৃতীয় ষাণ্মাসিক

# কবিতাৰ কানন



মিঠা কথা কোৱাৰ আদি-প্ৰভাতে সিহঁতক ঈশ্বৰে যেদি পঠিয়াইছিল স্বৰ্গৰ পৰা এজাল জমলাকে সিহঁত নামি আহিছিল পৃথিৱীলৈ আৰু স্বৰ্গৰ দৰেই বগা কাগজবোৰ দেখি তাতেই বসতি পাতিছিল। সিহঁতে জমলা-বেলৰ নাম দিছিল - কবি আৰু কোনোবাই সিহঁতক নাম সুধিলে কলম — কবিতা ।


# প্ৰকৃতি

কোনে কৈছে প্ৰকৃতিয়ে কথা কব নাজানে বুলি
কেতিয়াবা হয়তো যদি প্ৰশ্ন কৰে আমাক
যেন প্ৰকৃতিয়েই দি যায়
আমাৰ প্ৰয়োজন অলপ সময়ৰ
অকলশৰীয়া [illegible] মনবোৰ
প্ৰকৃতিৰ সেউজীয়া পৰশত সজীৱ হৈ উঠে
ভাল লগা সেই পৰশবোৰে
মনবোৰ পোহৰাই তোলে আৰু
দি যায় নতুন এটা আশা
জীৱন জীয়াবলৈ,
সুকলিময় হৈ উঠে মনবোৰ
প্ৰকৃতিৰ এটা পৰশত
আৰুনো কি লাগে জীৱন জীয়াবলৈ
এয়াই জানো যথেষ্ট নহয় আমাৰ বাবে
ফুলৰ সেই সুগন্ধিবোৰত আপোন
পাহৰা হোৱা সুগন্ধিবোৰময় ফুলবোৰক
দুহাতত তুলি একেলিৰে মাই যোৱা
সকলোই এইবোৰেই এক সুন্দৰময়
পৰিৱেশ গঢ়ি তোলে,
পৃথিৱীখন আৰু বেছি সুন্দৰ আৰু
সুগন্ধিময় কৰি তোলে।

— ইয়াছমিন বেগম



# বন্ধুত্ব




ভাষাৰে প্ৰকাশ কৰো কেনেকৈ
মোৰ মনৰ কথা,
শব্দৰে প্ৰকাশ কৰো কেনেকৈ
মোৰ নিজত্ব ভালপোৱা।
তুমিতো নাজানা মোৰ অস্তিত্ব কি
মোৰ সাধনাৰ মোৰ অনুভৱত
দূৰৈ থকা তুমি নিখুঁত ঋলিচাঁহি,
বোৱতী নদীৰ দৰে তুমি চিৰপ্ৰৱাহমান
মোৰ সুখ দুখ বিষাদৰ জাগ্ৰত পহৰী
ঠুনুকা হৃদয়ৰ, ঠুনুকা ৰেখা
কোন বুলি দেখাবো সুধি থকা
বিশাল সেই আকাশৰ বুকুত
তোমাৰ স্থান কি ?
আঁকিব নোৱাৰা এখনি প্ৰতিচ্ছবি
বুজাব নোৱাৰা এক গল্প।
আধৰুৱা মোৰ কবিতা
সীমাহীন পানীৰ দৰেই তৰল
মোৰ বন্ধু তোমাৰ হৃদয়ৰ বিশালতা

— মাইনা বুঢ়াগোহাঁই
স্নাতক পঞ্চম ষান্মাসিক

# মোৰ আই তুমি


মেলিলো মোৰ চকু
তোমাৰ কোলাতে আই
তুমি মোৰ পূজনীয়া আই
তোমাৰ মৰমতে আই
গঢ়িছো নিজৰ আশ
দুখ পাহৰি মোৰ আই
তুমি যেন স্নেহৰ আই
এখন বিশাল নদী
তোমাৰ দয়াৰ নাই পাৰ
তোমাৰ মৰমত আৰু
আছে আপোনত্ব
ঝিলমিলে হৃদয় পখি যায়
তুমি মোৰ যেন আকাশৰ
জোনাক জ্যোতি আই
পোহৰাই দিয়া মোক
বাট দেখুৱাই
বাট দেখুৱাই ....।



— সুপ্ৰিয়া দত্ত।
স্নাতক প্ৰথম ষাণ্মাসিক।

# এটি আবেগ ভৰা কাহিনীৰে


ধিমিক ধামাক এগছি বন্তিৰ পোহৰত
বন্তি জ্বলাবলৈও তেল নথকা
দৰিদ্ৰতাৰ ঘৰখনিত
বুকুত এবুকু সাহস বান্ধি
তাই পাৰিছিল ভৱিষ্যত
জীৱনটো গঢ় দিব বুলি।
তাইৰ দেউতাক আছিল এজন ৰিক্সাচালক
আৰু মাক আছিল আমৰি-আজলি,
তথাপি তাই হতাশাৰ মেৰুৱা নাছিল
কোনো দিনে,
ধৈৰ্য্য আৰু একাগ্ৰতাৰে তাই
আগুৱাই নিছিল তাইৰ পঢ়াশুনা।
তাই দখল কৰিবলৈ সক্ষম হৈছিল
ৰাজ্যখনৰ ভিতৰতে এক সৰ্বোচ্চ স্থান।
আনকত সতলীয়া হৈ পাৰিছিল
তাইৰ প্ৰাস্যখনি আৰু বন্ধু গুণী-জ্ঞানী
কিন্তু____
আনন্দ আৰু দুখত ভাগী পাৰিছিল
তাইৰ অকৰা-অজলা আৰু-দেউতাকৰ
হাঁহখনি,
তাই ঐ দেখি
আগুৱাই যোৱা তাকি
কোনো কালে নৰবা সমকি।



নাম:- শ্ৰীমতী অংকিতা পাটৈ
শ্ৰেণী:- তৃতীয় ষাণ্মাসিক

# বিদায় অগ্ৰজ

এটি অধ্যায়ৰ শেষৰ পৃষ্ঠাত
বহু অপ্ৰত্যাশিত জীৱন সংগ্ৰামৰ
আজি অন্ত পৰিল,
বহু কোৱা নোকোৱা কথা।



সময়ৰ [illegible] নেপে
হৃদয়ৰ [illegible] যোৱা
মিঠা অনুভৱবোৰ
সেই [illegible] স্মৃতিবোৰ
[illegible] আলাপবোৰ
শিক্ষাগুৰুৰ আদৰ্শ, [illegible]
তেওঁলোকৰ সেই আশ্বাস বাণী আশীৰ্বাদবোৰ,
বুকুত বান্ধি লৈ
জীৱনৰ অন্য এটি দিশত যাবাপে।
তোমালোকৰ স্মৃতিবোৰ
সেই হাঁহি ধেমালিবোৰ,
অনন্ত কাললৈ
হৃদয়ৰ উপত্যকাত সজাই ৰাখিম।"


নাম:- শ্ৰীমতী সুস্মিতা [illegible]
শ্ৰেণী:- পঞ্চম ষান্মাসিক



Scanned with OKEN Scanner

# সন্ত্ৰাস

চিৰিং কৰি উঠিল মোৰ বুকুখন
আঁতৰত বন্দুকৰ শব্দ
অনেক জনতাৰ কোলাহলত
চৌদিকে পৰিলে সন্ত্ৰাসবাদীৰ দল।




দুক্ দুক্ কঁপে হিয়া
অন্ধকাৰ নিশাৰ আগলৈ
মানুহে মানুহক কৰে বধ
দৈত্য দানৱৰ দৰে
মানুহৰ তেজেৰে বন্তি জ্বলিছে।

নিজৰ দেশত চিনাচিনি নাই
ভায়ে ভায়ে গৃহযুদ্ধ
পৰস্পৰে পৰস্পৰে নাই বুজাবুজি
চৌদিশে সন্ত্ৰাসবাদীৰ দল।

শ্ৰীমতী বেবী গগৈ
স্নাতক তৃতীয় ষান্মাসিক

# বন্ধুত্বৰ পৰিচয়ত

কোন আমি
আলহী নে অতিথি
দুদিনৰ চিনাকিতে বান্ধি থৈ
বন্ধুত্বৰ এনাজৰী জালে,
কেতিয়া কাক স্পৰ্শ কৰিব
কেতিয়া কাক আপোন কৰিব
ভুলকো আপোনপোনৰ বুকুত
কোনে গুজি দিব
ভালপোৱা আৰু ভাললগাৰ প্ৰতিশ্ৰুতি
আমি অকলা যাত্ৰী
এক নিৰ্দিষ্ট গতি পথৰ
আমাৰ আপোনতো গতি আছে
এক অচিন দেশৰ,
ব্যস্ত সময়ৰ সুঁতিত
উটি ফুৰা আন্তৰিকতাৰ ক্ষণবোৰত
কোন হৈ ৰ'ব আপেক্ষিত
কোন হৈ ৰ'ব অন্বেষণাৰ উৎস
আহা বন্ধুত্বৰ বুকুত বিলীন হোৱা
এক জটিল সময়ৰ স্বাক্ষৰ
তুমি আমি অকলাবোৰৰ
পৰিচয় কি......
আমাৰ বন্ধুত্ব পৰিচয়ৰ বুকুত
বিলীন হৈ যোৱা সময়ৰ ক্ষণক
কোনে কি পৰিচয় দিব
বিশ্বাস, বন্ধুত্ব নে ব্যস্ত সময়।



প্ৰতীক্ষা বৰুৱা
তৃতীয় ষাণ্মাসিক

# দেউতা

আপোনাৰ অজস্ৰ ত্যাগৰ ৰশ্মিতেই
জোনাক হৈ ফুলি উঠে আশাৰ কুসুমবোৰ
অথচ আপোনাক কৃতজ্ঞতা জনোৱা কথা এবাৰলৈও মনলৈ
অহা নাই....

আপোনাৰ সীমাহীন শ্ৰমৰ ভাগৰুৱা দেহাক আঁওকান কৰি
নিজৰ সপোন পাহৰি আমাৰ হকে দলিচা পাৰি দিছিল
অথচ আপোনাক বিশ্ৰামৰ কথা এবাৰলৈও সোঁৱৰাই দিয়া
হোৱা নাই....

আপোনাৰ অদম্য উৎসাহৰ ৰেঙণিয়ে
মনত গুঁজি দিছিল অজস্ৰ সপোনৰ ৰুঁহিপাত
অথচ আপোনাক সপোনৰ কথা এবাৰলৈও মনলৈ
অহা নাই....

আপোনিয়ে মোৰ পৃথিৱীৰ শ্ৰেষ্ঠ দেৱতা জনৰ ছবি
যাৰ স্নেহৰ ছায়াত মইজনী মই হ'লো
অথচ আপোনাক কেতিয়াও ধন্যবাদ জনোৱা
হোৱা নাই....

নোৱাৰো আপোনাৰ এই মহান ব্যক্তিত্বক
মোৰ এই শব্দ কেইটিৰে সামৰিবলৈ
তথাপিও কওঁ মোৰ সকলো আপোনিয়ে দেউতা ॥

নাম:- শ্ৰীমতী স্মাৰিতা নেওগ
শ্ৰেণী:- তৃতীয় ষাণ্মাসিক

# উপায়

বিষাদবোৰ প্ৰকাশৰ এটা উপায় লাগে
লাগে এটুকুৰা নিৰিবিলি ঠাই
হতাশাবোৰ য'ত জ্বলি ধোঁৱা হৈ উৰি যায়।
প্ৰয়োজন এজাক মুষলধাৰ বৰষুণবো
চকুপানীবোৰ কোনেও নেদেখাকৈ
উটুৱাই দিবলৈ
ওচৰতে বৈ যাওক এখনি শান্ত নৈ
মোৰ অব্যক্ত কোলাহলৰ শব্দবোৰ
কঢ়িয়াই যাব বলৈ।
দুখক সহ্য কৰি হয় এতিয়া
শিলৰ দৰে কঠুৱ হৈছে
আঘাত বোৰে স্পৰ্শ কৰিব নোৱাৰাকৈ।
এটা উপায় লাগে এতিয়া
সকলোৰে চকুত বেয়াৰ পাৰা
ভাল থকাৰ উপায়।
জোনাকত নিজক চোৱাৰ আশা,
নিজক জনাৰ মন, কুজাৰ খোঁপাহ
এটা উপায় লাগে
নীলা আকাশত নিজক বিলীন কৰিবলৈ,
স্বাধীনভাৱে।

নাম:- শ্ৰীমতী দৃষ্টি
শ্ৰেণী:- তৃতীয় ষান্মাসিক।

# ফাগুন হৈ আহিবা

এদিন তুমিও
ফাগুন হৈ আহিবা
শুকান পত্ৰলিৰ ধূলি উৰুৱাই
পাট চাপ তোমালৈ
প্ৰভাৱিত হৃদয়ত
এফাকুৰি পলাশৰ ৰং আনিবা
ৰঙীন ছবি তুলিবা
আধৰুৱা অভিব্যক্তিবোৰ
ঠিক যেন ফাগুনৰ দৰে।
আবেগৰ আঁচৰ কাটি
সিক্ত হৃদয়খনে
আকৌ সাঁচিব
প্ৰথম জাগিব
কৃষ্ণ দুচকুত
প্ৰাণ পাব এজাক অষয়া সপোনে
পূৰ্ণতাৰ আশা লৈ... ॥

নাফাৰ চাহিন চুলতানা
তৃতীয় ষাণ্মাসিক

# হৃদয়ৰ ৰক্তপত্ৰ


নতুন এক আৱেষ্টনি
মোৰ প্ৰশস্ত হৃদয়ত
দুপাৰ হৈ উঠিছে মোৰ ভেঁপাৰ
অলোৱাশিত বিলীন এই ব্যোম
আৰু মোৰ অসন্তোঁ আশা।
অধিনাক মোৰ আৱেগ....
অৱসন্ন দেহৰ কিয়
এই বিষন্ন মন ?
অতৃপ্ত হৃদয়ৰ......
আকৌ ডেউকা মেলি উৰিবৰ মন।



অংশুমী গগৈ
প্ৰথম ষাণ্মাসিক


# ৰঙীন সপোন

সুন্দৰ ভৱিষ্যতৰ ৰঙীন সপোন
যি দিনা মই তেতিয়াৰে লিখিলো....
সেই দিনা মোৰ মনত এটি আশাৰ ৰঙা ফুল....
যি সময়ৰে মোক মোৰ জীৱনৰ
অতীতে আৰু বেলাৰ মোক নিজকে চাবি দিলে
আজি সেই সপোন হাতেই মই তোলো
মোৰ জীৱনৰ লক্ষ্যত উপনীত হ'ব পাৰিম
আৰু সেই সময়ে মোৰ লক্ষ্যৰ সপোন আৰম্ভণি।



ডুমণী মেইল
প্ৰথম ষাণ্মাসিক

# নিৰিবিলি



হয়ু প্ৰেমত পৰিছোঁ
বহুবাৰ প্ৰেমত পৰিছোঁ
কিন্তু! এইবাৰ এখন
জীয়া উপন্যাসৰ প্ৰেমত-----
অনুৰন, সন্ধ্যা, অভিমন্যু, মধুৰৰ
প্ৰেমত পৰিছোঁ।
কাৰতন নগৰীৰ সকলোৰে
নিৰিবিলিৰ বুকুত বিচাৰি পাওঁ
নিতৌ নৱ নৱ ফুল ফুলা
জীয়া সপোনবোৰ----
বন্ধুত্ব নামৰ এই তিনিটি আখৰ যেন
আজি, সন্ধ্যা, মধুৰহঁতৰ মাজত
আৰু ধুনীয়া হৈ পৰে।
নিশাৰ আউনীৰ তৰাটিলৈ চাই
মধুৰৰ হৃদয়খন যেন শান্ত হৈ পৰে----
অনুৰণৰ এটি সৰু মেচেজে
সন্ধ্যাৰ হৃদয়ৰ বিষাদৰ বেদনাবোৰ
নাইকিয়া কৰি তোলে----
এই শব্দবোৰেই নিৰিবিলিক
জীয়াই ৰাখিছোঁ হৃদয়ৰ নিভৃত এক কোণত!

— কৰিস্মিতা গগৈ
স্নাতক প্ৰথম ষাণ্মাসিক

# বন্ধুত্ব

বন্ধুত্ব এনে এপাল বান্ধোন
যি কেতিয়াও শেষ নহয়।
সঁচা বন্ধুত্ব, সঁচা ভাল
তেতিয়াহে পাব পাৰি
বিনয়ৰ সেতুবন্ধন সঁচা, পবিত্ৰ।
মানুহক বিশ্বাস কৰাটো
সহজ নহয়;
কিন্তু! সেই বিশ্বাস যদি
ভাঙি যায়
তাক ঘূৰাই আনাটো
পোৱা অসম্ভৱ হয়
বন্ধু!




এজন বন্ধুৱে যদি
তোমাক দুখ দিয়ে;
আন এজন বন্ধুৱে আকৌ
তোমাক জীৱন দান দিয়ে।
এয়াই হৈছে বন্ধু।
বন্ধুত্ব আৰু জানো
কোনোবাই দিব পাৰিব;
সঁচা বন্ধু তেতিয়াহে
যিয়ে একো নোকোৱাকৈ
মনৰ আবেগ কথাই
বুজি পায়।
মোৰ প্ৰিয় বন্ধু হ'ল
মোৰ মা।

যিয়ে মোৰ কাষলৈ
গোটেই পৃথিৱীখনৰ গীতে
খুঁজি দি আছে।

কিন্তু! মইহে জানো আৰু
সেইখিনি সুখ দিব পৰা নাই;
যিখিনি আৰু প্ৰয়োজন।


— তুলসী আতীবৰুৱা।
(প্ৰাক্তন ছাত্ৰী)

## জীৱন



এই ৰঙীণ পৃথিৱীখনে কি দিছে
দিছে আমাঁক জীৱনৰ তিক্ততা,
কিছু বাস্তৱ অভিজ্ঞতা
তথাপিও এই পৃথিৱীখনত
জীয়াই থকাৰ অদম্য হেঁপাহ ।
এই জীৱনে কি দিছে ?
দিছে আমাঁক পোৱা নোপোৱাৰ হিচাপ
কিছু ক্ষেত্ৰত আগবাঢ়ি যোৱাৰ অনুপ্ৰেৰণা,
সুখ – দুখবোৰ একান্তই নিজা কৰি লোৱাৰ অধিকাৰ ।

নাম:- শ্ৰীমতী প্ৰজ্ঞাশ্ৰী বৰুৱা
শ্ৰেণী:- পঞ্চম ষান্মাসিক ।



## আকাশ বিচাৰি এদিন তুমি উৰি যাবা

তুমি উৰি যোৱা দিগন্ত পাৰ হৈ
আকাশ পাৰ হৈ
উৰি যোৱা মেঘৰ সতে
ৰ'দৰ সৈতে
ৰামধেনু বিচাৰি
ৰামধেনু ধুমুহাৰ থৰথুপৰ সৈতে
মই একে আঁকিম
তেওঁ সেইদিনা কোৱাৰ দৰে
প্ৰেমিক যোৰ মানুহৰ দৰে হব লাগে
ক্লান্ত দেহকোৰে জিৰাবহি এখন্তেক
হৃদয় জুৰুৱা মনৰ দুপৰীয়া
তুমি আকাশ ফালপোৱা
আৰু মই ৰ'দ
ইমান অমিল তোমাৰ মোৰ কথাবোৰ
দুখৰ বতাহতো আঁহিম
সুখৰ বতাহতো আঁহিম
ধুসৰ ধোঁৱাতো দেখিম
গছ হৈ গজিম
ফুল হৈ ৰ'ম

আকাশ বিচাৰি এদিন তুমি উৰি যাবা
আৰু মই বাট চাম তুমি উভতি অহালৈ
যিদৰে সেই আকো সূৰ্য্যমুখী ফুলবোৰ ৰ'দলৈ
যিদৰে পিতাই বাট চাই আহনলৈ।
যিদৰে আইয়ে বাট চাই আগমনলৈ।

— পাপৰি শইকীয়া



Scanned with OKEN Scanner

# শৰৎ

শৰৎ মানেই শেৱালী
শেৱালী মানেই শৰৎ
শৰতৰ সন্ধিয়া
সুগন্ধি বিয়পায়
ফুলি থাকে মোৰ পদূলিৰ আগত
চুবুৰি বনত ছবি পাৰে শেৱালী শৰতৰ
পুৱা সূৰ্যৰ কিৰণে
জিক্-মিক্ পোহৰৰ
লুকা-ভাকু খেলে
সৌন্দৰ্যময় পৃথিৱীৰ
শৰতৰ প্ৰতিটো পুৱাৰ
শেৱালীৰ সুবাসে,
সকলোৰে মন সুশোভিত
কৰি তোলে।

নাম: শ্ৰীমতী সুস্মিতা গগৈ।
শ্ৰেণী: প্ৰথম ষাণ্মাসিক



Scanned with OKEN Scanner

# সপোন

নিস্তব্ধ জীৱনৰ
প্ৰতিটো খোজত
মই দেখো এক ৰঙীণ সপোন ।
পুৱা সূৰ্যোদয়ৰ কিৰণে আলোকিত হৈ পৰা
প্ৰকৃতিৰ নিভাঁজ ক্ষণত
মই ৰচো এক প্ৰত্যাশাৰ স্বপ্ন ।




মনৰ হাজাৰ সপোন
বুকুত বান্ধি
যাব বিচাৰো মই
পোহৰ বিচাৰি ।
আশাৰ চাকি জ্বলিব আৰু মুকাব
আশা কৰাৰ ... নহওঁক,
কাঁইটীয়া বাট অতিক্ৰম কৰি
ৰচিব খোজো মই নিজৰ সপোন ।
সপোন মানেই প্ৰত্যাশা
সপোন মানেই জীয়াই ৰখাৰ
এক আশা।

নাম:- সুস্মিতা গগৈ
শ্ৰেণী:- প্ৰথম ষাণ্মাসিক ।

# সপোন সাগৰত তুমি

সপোন সাগৰত তুমি
উৰি যোৱা এজাক নিৰ্ভান পক্ষী
যেনেকৈ
মৌনতাৰ মৃদু বন্ধন,
তোমাৰ সুৰহত মই হে পাইছোঁ
মনৰ ৰাগিনী।
সোণালী আলি ঠেকা খাইছোঁ
তোমাৰ উম উশাহ মোৰ দুটি ওঁঠত,
তোমাৰ হৃদয়ৰ পৰশত মই যেন
পালি যোৱা সেউজুকা নিঃশব্দ বৰষুণ।
সাৰথি লৈছা তুমি সকল দুখবোৰে
থাকো মই, মই হৈ কবিতা
তোমাৰ বহল বুকুৰ একোণত।



— সাইনী বুঢ়াগোহাঁই
স্নাতক প্ৰথম ষাণ্মাসিক

# প্ৰৱাহমান

এই নদী প্ৰৱাহমান
এই নদীতেই আছে
জন জীৱনৰ প্ৰাণ।
ইয়ে গায়
কুলুকুলু শব্দেৰে
জীৱন যুঁজৰ প্ৰাণৱন্ত গান।
কাহানিও অসফল নোহোৱা
কাহানিও লক্ষ্য স্থান নাপাওৱা
ইয়ে দি যায়
আগবাঢ়িও নাভাগনাৰ শিক্ষা।
এই নদীৰ পাৰতেই কত কবিয়ে
কবিতা লিখে,
কত গীতিকাৰে
গীত ৰচে,
এই নদীৰ পাৰতেই
কহুৱা, বিৰিণাই
গাই যায় অসীমৰ গান।
এই নদীয়েই দি যায়
সৌন্দৰ্যৰ এক
অনাবিল আনন্দ।
এই নদীয়েই সোঁতৰাই
পিয়াহত আতুৰজনৰ তৃষ্ণা,
এই নদীয়েই কি যায়
যিমানে বিলাবা সিমানেই
অম্লান সুধা।
পৰিপূৰক, পৰিৱৰ্তনীয় গতিৰে
এই নদীয়ে আজি আছে নিজৰা মান,
অবিৰাম গতিৰে সি অকা
এই নদী প্ৰৱাহমান।

— শ্ৰী ত্ৰিবেণী দাস।
স্নাতক প্ৰথম ষাণ্মাসিক।

# অন্যান্য



Scanned with OKEN Scanner

- পলাশী বৰুৱা।

# কুইজ

১। 'জোনাকী' কাকতৰ প্ৰথম সম্পাদক কোন আছিল?
উত্তৰ: চন্দ্ৰকুমাৰ আগৰৱালা।

২। জোনাকী যুগৰ ত্ৰিমূৰ্তি বুলিলে কাক কোৱা হয়?
উত্তৰ: চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীক।

৩। 'বিজুলী' কাকতখন কোন চনত প্ৰকাশ পাইছিল?
উত্তৰ: ১৮৯০ চনত।

৪। 'বিজুলী' কাকতৰ প্ৰথম সম্পাদক কোন আছিল?
উত্তৰ: কৃষ্ণপ্ৰসাদ দুৱৰা।

৫। 'ঊষা' আলোচনীখন কোনে সম্পাদনা কৰিছিল?
উত্তৰ: পদ্মনাথ গোহাঞিবৰুৱাই।

৬। 'ঊষা' আলোচনীখন কেতিয়া প্ৰকাশিত হৈছিল?
উত্তৰ: ১৯০৭ চনত।

৭। 'বাঁহী' আলোচনীখন কোন চনত প্ৰকাশ পাইছিল?
উত্তৰ: ১৯০৯ চনৰ ডিচেম্বৰ মাহত।

৮। 'বাঁহী' আলোচনীখন কোনে সম্পাদনা কৰিছিল?
উত্তৰ: লক্ষ্মীনাথ বেজবৰুৱাই।

৯। 'আৱাহন' কাকতখন কোন চনত প্ৰকাশ পাইছিল?
উত্তৰ: ১৯২৯ চনত।

১০। 'আৱাহন' কাকতখন কৰ পৰা ওলাইছিল?
উত্তৰ: কলিকতাৰ পৰা।

১১। অসমীয়া সাহিত্যত গীতি-কবিতাৰ প্ৰকৃত প্ৰবৰ্তক কোন?
উত্তৰ: চন্দ্ৰকুমাৰ আগৰৱালা।

১২। প্ৰথম অসমীয়া আধুনিক কবিতাটোৰ নাম কি?
উত্তৰ: বনকুঁৱৰী।



Scanned with OKEN Scanner

১৩। ভাৰতৰ প্ৰথম মহিলা ৰাষ্ট্ৰদূত কোন আছিল?
উত্তৰ: বিজয়লক্ষ্মী পণ্ডিত।

১৪। ভাৰতৰ প্ৰথম পাৰমাণৱিক চুল্লীৰ নাম কি?
উত্তৰ: নিম্মফ।

১৫। ভাৰতৰ প্ৰথম মহিলা পাইলট কোন আছিল?
উত্তৰ: প্ৰেমা মাথুৰ।

১৬। ভাৰতৰ প্ৰথম মহিলা লোকসভা অধ্যক্ষ?
উত্তৰ: মীৰা কুমাৰ।

১৭। ভাৰতৰ প্ৰথম কমিউনিষ্ট লোকসভা অধ্যক্ষ কোন আছিল?
উত্তৰ: সোমনাথ চেটাৰ্জী।

১৮। ভাৰতৰ প্ৰথম মুখ্য নিৰ্বাচন আয়ুক্ত কোন আছিল?
উত্তৰ: সুকুমাৰ সেন।

১৯। ভাৰতৰ প্ৰথম গৃহমন্ত্ৰী কোন আছিল?
উত্তৰ: চৰ্দাৰ বল্লভভাই পেটেল।

20। ভাৰতৰ প্ৰথম বিত্তমন্ত্ৰী কোন আছিল?
উত্তৰ: আৰ. কে. ষণ্মুখম চেট্টি।

21। ভাৰতত নিৰ্মাণ কৰা প্ৰথম কেন্দ্ৰীয় শিক্ষামন্ত্ৰী কোন আছিল?
উত্তৰ: মৌলানা আবুল কালাম আজাদ।

২২। পেশীত কোনবিধ এচিড জমা হ'লে ভাগৰুৱা হয়?
উত্তৰ: লেকটিক এচিড।

২৩। আঙুৰত কোনটো এচিড পোৱা যায়?
উত্তৰ: টাৰটাৰিক এচিড।

২৪। কেন্সাৰ সম্পৰ্কীয় ৰোগৰ অধ্যয়নক কোৱা হয়?
উত্তৰ: জীৱ বিজ্ঞান।

২৫। মানৱ শৰীৰৰ আটাইতকৈ দীঘল কোষ কোনটো?
উত্তৰ: স্নায়ুকোষ।

# কুইজ

1. দৰিদ্ৰতা নিৰ্মূলৰ বাবে আন্তৰ্জাতিক দিৱস কোন তাৰিখে পালন কৰা হয় ?

⇒ ১৭ অক্টোবৰ

২. ৰাজহুৱা পৰিবহনত ৰ'পৱে ছেৱা আৰম্ভ কৰা ভাৰতৰ প্ৰথমখন চহৰ কোনখন ?

⇒ বাৰাণসী ।

3. ব্ৰাহ্ম সমাজৰ প্ৰথম অধিবেশন ক'ত হৈছিল ?

⇒ কলিকতাত ।

4. মিচিং সমাজৰ গাম্য আদালতখনৰ নাম কি ?

⇒ কেবাং ।

5. অসমৰ ইতিহাসক কেইটা ভাগত ভাগ কৰা হৈছে ?

⇒ ৪ টা ভাগত

6. গোৱালপাৰাত হুদুম পূজা কিহৰ বাবে পালন কৰা হয় ?

⇒ কৃষি উৰ্বৰতাৰ প্ৰতীক হিচাপে ।

7. সেউজ বিপ্লৱৰ ফলত কোনবিধ শস্য অধিক লাভবান হৈছিল ?

⇒ ঘেঁহু ।

8. দিল্লীক ভাৰতৰ ৰাজধানী স্বীকৃতি কোন চনত প্ৰদান কৰে ?

⇒ ১৯৩১ চনত

9. অসমত কেইখন বিশ্ব ঐতিহ্য ক্ষেত্ৰ আছে ?

⇒ ২ খন

10. ৰাষ্ট্ৰীয় ভোটাৰ দিৱস কেতিয়া পালন কৰা হয় ?

⇒ ২৫ জানুৱাৰী ।

11. মহীশূৰৰ নতুন নাম কি ?

⇒ কৰ্ণাটক ।

— সুস্মিতা গগৈ ।




Scanned with OKEN Scanner

12. GST কেইপ্ৰকাৰৰ হয়?
⇒ ৪ প্ৰকাৰৰ

13. কটন কলেজৰ প্ৰতিষ্ঠাপক কোন আছিল?
⇒ হেনৰী কটন আছিল।

14. 'দেওলাংখুই'ৰ ৰচক কোন?
⇒ ৰীতা চৌধুৰী।

15. আহোমসকলৰ বিবাহ প্ৰথা কি নামেৰে জনা যায়?
⇒ চকলং



16. চুকাফাই লগত কিমান মানুহ আনিছিল?
⇒ ৯০০০

17. উত্তৰ পূৰ্বৰ সহিত প্ৰথম ৰেলগাড়ীখন কোনখন ঠাইৰত [illegible] কৰা হৈছিল?
⇒ যোৰহাট।

18. অসমৰ 'গীতিকবি' বুলি কাক আখ্যা দিয়া হয়?
⇒ পাৰ্বতী প্ৰসাদ বৰুৱা।

19. কোনটো প্ৰণালীয়ে ভাৰত আৰু শ্ৰীলংকাক পৃথক কৰিছে?
⇒ পক প্ৰণালী।


20. বড়ো সাহিত্য সভা কেতিয়া গঠন কৰা হয়?
⇒ ১৯৫২ চনত।

21. আকাশৰ সবাতোকৈ উজ্জ্বল তৰাটোৰ নাম কি?
⇒ সূৰ্য।

22. শ্বিলং কোনখন পাহাৰত অৱস্থিত?
⇒ খাচী পাহাৰ।

## ফকৰা যোজনা

1. অভ্যাসৰ নৰ, কৰ্মগুণে কৰে শৰ ।
2. অভ্যাসে কৃতবিদ্যা, অনভ্যাসে হতবিদ্যা ।
3. অতিথিও ৰওক, চাউলো সিজক ।
4. পাতিৰ লগত মতী মৰে, উলুৰ লগত বগৰী পোৰে ।
5. অতি ধুনতীৰ ঘৰ নাশ, ধুনে কৰে সৰ্বনাশ ।
6. অতি কথকীক কথাই খায়, বৈদ্যক খাই সাপে
   সাতখন দোগৰত অনাজনকো কিহিতে খেয়ে পাপে ।



7. অল্প অৰ্জন, বিশুদ্ধ ভোজন ।
8. অন্তৰৰ সৌন্দৰ্যই নাই নাৰী,
   মুখৰ সৌন্দৰ্যই নকৰে সুন্দৰী ।
9. অশ্বই অসৰ্বৰ সুন্দৰ বনত্বে,
   অপৰ্ব অভাৱে ভাত বুগল সৰ্বচয় ।
10. আইৰ সমান হ'ব কোন,
    নৈৰ সমান হ'ব কোন ?
11. আগ গুনি নুগুনে পাছ,
    লোকত মৰে বৰশীৰ মাছ ।
12. আগ চাই আনিবা, পিছ চাই দিবা
    তেৰ পাৰিলাম পিছত পাবা
13. আইৰ ঘাৰলে ঘাম, তুই হ'বে খাম;
    কণা-বিধাতাই বোলে মই পাছে পাছে ঘাম ।
14. আছে পৰু নাৰায়ণ হ'ল,
    হোৱাতকৈ নোহোৱাই ভাল ।

— প্ৰিয়াক্ষী ফুকন ।



Scanned with OKEN Scanner


# অনুভৱ

## চাফা

ঐ জোনালী, ক'ত মৰিলি? ইমানবোৰ বাচন ধুব আছে। মালিকনীয়ে খঙতে চিঞৰিলে।

জোনালীক ঘৰত মাকে মৰমতে সোণ বুলি মাতিছিল। আজি মালিকনীয়ে মাতে জোনালী বুলি। বিগত ৰাতিৰ সোণৰ সাঁকলে মনত পৰি দুখ লগাত বাৰান্দাত বহি মনে মনে কান্দি আছে।

মালিকনীয়ে পাছলি পৰাত আহেঁ নাহেঁকৈ আহি বাচন-কোৰ ধুই চাফা কৰিলে তাৰ লগে লগে চকুৰ পানীৰে চাফা কৰিলে মনৰ দুখবোৰ।



## পৰিৱৰ্তন

ঘৰত থাকোঁতে ইউনিফৰ্মযোৰলৈকে মায়ে ধুই দিছিল। বেমাৰত পৰিলে গোটেই নিশা মা — দেউতাই ওচৰতে কটাইছিল। দেউতাই অফিচলৈ যাওঁতে স্কুললৈ লৈ গৈছিল। স্নাতক পঢ়িবলৈ আহাৰ পৰা সেইবোৰ শেষ ---- হোষ্টেলৰ ৰুমমেটৰ খিৰিকীখনৰ কাষত বহি লৈ অতীতৰ স্মৃতিত বিভোৰ হৈ আছি।

— শ্ৰীমতী প্ৰিয়াক্ষী ফুকন
স্নাতক প্ৰথম ষাণ্মাসিক



Scanned with OKEN Scanner

# মহৎ লোকৰ বাণী

① ভুলকৈ জনাতকৈ একো নজনাই ভাল – শেক্সপীয়েৰ।

② মানুহজনক তেওঁৰ উত্তৰ দ্বাৰা নহয়, তেওঁৰ প্ৰশ্নৰ দ্বাৰাহে বিচাৰ কৰিব লাগে – ভলটেয়াৰ।

③ বিৰহৰ প্ৰতিটো চকুলো মিলনত আত্মাৰ আনন্দটোক বঢ়ায় – হোমাৰ।

④ ভয়ৰ দ্বাৰা জীয়াই থকাতকৈ বীৰৰ দৰে মৃত্যু বৰণ কৰাই শ্ৰেয় – মহাত্মা গান্ধী।

⑤ মানুহে যিমান কিতাপ পঢ়িবলৈ শিকে সিমানে ভ্ৰমিবলৈ শিকে – জৱাহৰলাল নেহৰু।


⑥ লোকৰ দোষ ধৰাটো বুদ্ধিমানৰ কাম, কিন্তু নিজক নিৰ্দোষ কৰাটো তাতকৈ বুদ্ধিমানৰ কাম – মহাত্মা গান্ধী।

⑦ সুখী পৰিয়ালেই হ'ল মানুহৰ শ্ৰেষ্ঠতম সোপান – জৰ্জ হাৰ্বাৰ্ট।

⑧ ৰাজনীতি হ'ল ৰক্তপাত নোহোৱাকৈ কৰা যুদ্ধ আৰু যুদ্ধ হ'ল ৰক্তপাত কৰা ৰাজনীতি – মাও চে টুং।

⑨ অতীত আৰু বৰ্তমানক লৈ তৰ্কত লিপ্ত হোৱাটোতকৈ অৰ্থহীন আৰু একো নাই, কাৰণ তাৰ পিছত আমি হেৰুৱাম আমাৰ বৰ্তমানক – উইনষ্টন চাৰ্চিল।

⑩ আমি চৰাইৰ দৰে উৰিবলৈ শিকিছো, মাছৰ দৰে সাঁতুৰিবলৈ শিকিছো সঁচা, কিন্তু এই পৃথিৱীত মানুহৰ সৈতে ভাইৰ দৰে বসবাস কৰিবলৈ শিকা নাই – মাৰ্টিন লুথাৰ।




– শ্ৰী পাৰ্ণী শেতিয়া
তৃতীয় ষাণ্মাসিক

# মহৎ লোকৰ বাণী

১. আদৰ্শ শিক্ষক সেইসকল, যিসকলে শিক্ষাৰ্থীক চিন্তা কৰিবলৈ শিকায়।


— সৰ্বপল্লী ৰাধাকৃষ্ণন

২. যি নিজস্বক হেৰুৱাই তেওঁ সকলো হেৰুৱাই।

— মহাত্মা গান্ধী।

৩. কাৰো অনিষ্ট নকৰিবা, মিছা কথা নকবা, হিংসা নকৰিবা

— বুদ্ধদেৱ।



৪. যাৰ ধৈৰ্য্য আছে তেওঁ বিচৰা বস্তু সকলো পাব পাৰে।

— ফ্ৰেংকলিন

5. লোভাৰ অপেক্ষা ভয় আৰু কোনো জ্ঞান।

— কমলা কান্ত ভট্টাচাৰ্য্য।

6. আমাৰ চিন্তা চেতনাৰ দ্বাৰাই চৰিত্ৰ গঠন হয়।

— আনন্দ চন্দ্ৰ আগৰৱালা।

7. মূৰ্খ আৰু অজ্ঞানীয়ে সত্য কি নাজানে।

— বুদ্ধদেৱ।

৪. বিশ্বাসৰ ফল প্ৰেম, প্ৰেমৰ ফল সেৱা, সেৱাৰ ফল শান্তি।


— মাদাৰ টেৰেজা।

৯. বিৰহৰ চতোপাল চেকুলো মিলনৰ হাঁহিৰ আনন্দতকৈ মহান।

— হোমাৰ।

— সাইনী বুঢ়াগোহাঁই।

# মহৎ লোকৰ বাণী।



১) কৰ্মই উপাসনা হাঁহিয়েই জীৱন - বিষ্ণুপ্ৰসাদ ৰাভা ।

২) কিতাপ নথকা ঘৰ, খিড়িকী নথকা কোঠালিৰ দৰে - এইচ. মেনন ।

৩) আমি গোটেইবোৰ সফলতাৰ সম্পত্তিৰ ভিতৰত জ্ঞান মাথো অবিনাশী - ছক্ৰেটিছ

৪) এটা বন্দুকৰ গুলিতকৈ এখন চিঠিৰ মূল্য বেছি - মাদাৰ টেৰেছা ।

৫) আমি যাক সৃষ্টি কৰিব নোৱাৰো, তাক ধ্বংস কৰাৰ অধিকাৰো আমাৰ নাই - গুৰুনানক ।

৬) গৃহ হ'ল শিক্ষাৰ আৰম্ভণি বিন্দু - ৰোচেল ফেক্স ।

৭) শিক্ষকসকল হ'ল বাহিৰৰ মান আৰু আমাৰ প্ৰকৃত মনিকৰ - জৰ্জ ব্ৰাম্বিংটন ।

৮) সৰু মনৰ ডাঙৰ মানুহতকৈ ডাঙৰ মনৰ সৰু মানুহ শ্ৰেষ্ঠ - ড° সৰ্বপল্লী ৰাধাকৃষ্ণণ ।


৯) এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন ভাল মানুহক হত্যা কৰা একে কথা - মিল্টন।

১০) একমাত্ৰ পৰিশ্ৰমী লোকেহে বিজয়ী হ'ব পাৰে - হোমাৰ ।

ঋদ্ধিমা গোহাঁই ফুকন

# মহৎ লোকৰ বাণী

১। দহজন উপাধ্যায়ৰ সমান এজন শিক্ষক, এশজন শিক্ষকৰ সমান এজন পিতৃ আৰু হাজাৰজন পিতৃতকৈও শ্ৰেষ্ঠ প্ৰভাৱশালী মাতৃ। — উপনিষদ।



২। এজন মানুহৰ যি অভিলাষ বংশ পৰিচয় জনাৰ একমাত্ৰ উপায়টো হ'ল কাজিয়াৰ সময়ত দেখুওৱা আচৰণখিনি।

— জৰ্জ বাৰ্ণাৰ্ড শ্ব।

৩। নিখুঁত অসমীয়া ভাষাৰে কথা লিখিবা, নিখুঁত অসমীয়া মাত-মাত শিকিবা। অনাহকত বিদেশী অনুকৰণ নকৰিবা।

— লক্ষ্মীনাথ বেজবৰুৱা।

৪। মানুহে তোমাক নাভাবে বুলি আক্ষেপ নকৰিবা। তুমি এনেভাৱে কাম কৰি যোৱা যাতে তুমি মানুহে ভাবিব যোগ্য হোৱা।

— কনফুজিয়াছ।

৫। য'ত নাৰীসকল পূজিত হয়, তাত দেৱতাসকল প্ৰসন্ন হয়। য'ত নাৰীসকলক মান কৰা নহয়, তাত সকলো কৰ্ম নিষ্ফল হয়। যি গৃহত নাৰীসকল অৱহেলিত, দুখিত সেই গৃহ অতিশীঘ্ৰে ধ্বংস হয়।

— মনু

— বাংকনা দুৱৰা।
স্নাতক প্ৰথম ষাণ্মাসিক।

# মহৎ লোকৰ বাণী

1. আন কি কৰিছে সেইবোৰ চোৱাতকৈ মই নিজে কি কৰিছোঁ সেইবোৰ চোৱাহে বেছি দৰকাৰ। প্ৰতিজন লোকে নিজে কাম কৰি গ'লেই দহৰ আৰু দেশৰ সেৱা কৰা হ'ব।

— ৰাজা ৰামমোহন ৰায়।

2. জীৱনত কেতিয়াও পৰাজিত নোহোৱাটো গৌৰৱ নহয়, গৌৰৱ হ'ল পৰাজয়তে হাৰ নামানি আগবাঢ়ি যোৱাটো।

— জৱাহৰলাল নেহৰু

3. মানুহৰ ভিতৰত যি পূৰ্ণতা সুপ্ত হৈ আছে তাৰ বিকাশেই শিক্ষাৰ লক্ষ্য।

— স্বামী বিবেকানন্দ

সংগ্ৰাহক


মাহী বেগম

তৃতীয় ষান্মাসিক

# সাঁথৰ

(ক) কলিযুগৰ বৰ চোৰাই দেখি পাওঁ দুখ,
পাৰিলেই পেট ফালি ওলায় যায় লোক।
উ: উৰাজাহাজ।

(খ) জন্ম গৃহত দেখাত বাঘ,
বাহিৰে [illegible] কৰে বসবাস।
উ: মেকুৰী।



(গ) হাতেৰে ধৰি টানিলে যাবে
কোনোবা উঠিলে লৰ যাবে।
উ: চাইকেল।

(ঘ) বগা গাই চৰি যায়,
কালী গাই বহি যায়।
উ: দুই ওভাৰ।


- নিকিতা বড়ো
তৃতীয় ষাণ্মাসিক।

# সাঁথৰ

(১) বতাহে বামুণটি খোজ কাঢ়ে খৰ,
পিছফালে দেখি আহিছোঁ বাঁহৰ তলত ঘৰ?
=> আমৰলি পৰুৱা।

(২) কমাৰ ঘৰৰ ৰেটি,
বতাহ খাই উজান ৰেটি?
=> নাক।

(৩) ইহে সিহে পিঠিৰে দৌৰ দিয়ে কিহে?
=> নাও।



(৪) আই এ দেখী তুমুৰ মহৰ
কি লোকৰ ঠাইত আহৰ?
=> জোনাকী পৰুৱা

(৫) বতাৰ আলিবাট, তিতাৰ পাৰি শুকুৱাব নোৱাৰি।
=> জিভা।

(৬) মাটিৰ তলৰ বগা বুঢ়া,
মাত দিলে কুৰি কুৰি।
=> নহৰু

(৭) জেতেল মাৰলি দুখন ঠাল,
নৰক্তাকৈ খাওঁকৈ দৰ্বাভিকালি।
=> কলপাত।

(৮) গুণ গুণ কৰে কিন্তু ভোমোৰা নহয়,
লগুন আছে কিন্তু বামুন নহয়।
=> যাঁতৰ।

(9) এক মাতৃৰ গৰ্ভত বহু পুতেক সন্তান,
মাতৃৰ গালত আঘাত কৰি পুনৰই হৰে প্ৰাণ।
⇒ জুইশলা।

(10) কেঁচাতে লুথুপথুপ পকিলে টান,
চিকমে দুৱাৰ তোক লৈ যাম
⇒ পকী ইট।

(11) সেইটো কি হয় যিটো মাহত এবাৰ আহে,
কিন্তু ২৪ ঘণ্টাৰ পাছত গুচি যায়?
⇒ তাৰিখ।

(12) যেতিয়াই আপোন পেটলৈ যায়,
তাৰপাছত জীৱনক আৰামত শুই কটায়?
⇒ লেপ বা তুলি।

(13) ওপৰেও হাড়, তলেও হাড়,
মাজত পাখি, খাব নোৱাৰি থৈছো ৰাখি
⇒ আঁপি।

(14) সোণৰ ওঁঠ, ৰূপৰ দাঁত,
আগবঢ়ালে মাৰ্জনা হয়,
সাত অপৰাধ?
⇒ তামোল - পাণ।

(15) মাটি ফুটি ওলাল হাতী, ফুলাহেন কাণ;
মুখেৰে পোৱালী জগায়,
হে ভগৱান?

⇒ কলগছ।

— পপী গগৈ
তৃতীয় ষাণ্মাসিক



Scanned with OKEN Scanner

# কৌতুক

1. প্ৰথম চোৰ : হেৰৌ, মূৰ্খ, চুলিত ঘঁহা তেলৰ বটলটো কিয় কিনি আনিলি ?

দ্বিতীয় চোৰ : ফানি তেখন ফ্ৰি দিছে দেখা নাই নেকি ?

2. ৰোগী : ছাৰ, আজি কেইদিনমানৰ পৰা মানুহৰ ভিৰ দেখিলে মোৰ মূৰ ঘূৰায়, ফলত মোৰ ব্যৱসায়ত বহু লোকচান হৈছে।



ডাক্তৰ : কি ব্যৱসায় কৰে আপুনি ?

ৰোগী : পকেটমাৰৰ ছাৰ।

3. দেউতাকে পুতেকক কৈছে : ৰাহুল, কাইলৈৰ পৰা তোমাৰ পৰীক্ষা, তুমি সাজুনে ?

পুতেকে টেনশ্যই উত্তৰ দিলে : হয় দেউতা, কাপোৰ ইস্ত্ৰি কৰিলো, জোতা চিকচিকিয়া কৰিলো, অকল পঢ়িবলৈ বাকি আছে।

4. পৰীক্ষা দি দীপকে মূৰে কপালে হাত দি মাকক ক'লে : মা সৰ্বনাশ হ'ল,

পাকঘৰৰ পৰা ওলাই আহি মাকে সুধিলে : ইমানকৈ চিঞৰিবলৈ কি হ'লনো ?

পুতেকে : মই পৰীক্ষাত উত্তৰৰ সলনি প্ৰশ্নখিনিকে লিখি আহিলোঁ।

5. ৰুহত : কিহে ৰমেন আজিকালি তোমাৰ দেহৰ বৰণ দেখোন উজ্জ্বল আৰু পৰিষ্কাৰ হৈ পৰিছে। কথাটো কি ?

ৰমেন : নহ'বনো কিয় ? আগেয়ে মই কয়লাখনিত কাম কৰিছিলোঁ, আজিকালি ময়দাৰ গুদামত কাম কৰোঁ।

6. পুতেক : দেউতা, মোৰ বিয়াত কিন্তু তোমাক নিমন্ত্ৰণ নকৰোঁ।

দেউতাক : কিয় ?


পুতেক : তোমাৰ বিয়াত জানো মোক নিমন্ত্ৰণ কৰিছিলা ?

– নিতিশা বৰা
স্নাতক প্ৰথম ষাণ্মাসিক

# কৌতুক

১। হঠাৎ মাথাই মাথাই খুন্দা খালে
অন্য দেশত :— I am sorry
আমাৰ অসমত :— মেথাটো
আৰু এবাৰ খুঁজাই দিওঁ;
নহলে শিং গজিব

২। লʼৰা এজনে যোনা এখন চুৰ
কৰোঁতে ধৰা পৰিল।



পুলিচ : "এনেদৰে বস্তু চুৰ কৰি
তুমি নিজৰ জীৱনটো কিয় ধ্বংস
কৰি আছা ? তুমি কোনো
ভাল কাম নকৰা কিয় ?"

লʼৰা : "কি কৰিম ?
আমাৰ স্কুল চুটি হোৱা সময়লৈকে
আটাইবোৰ বেংক প্ৰায় বন্ধ হৈ পৰে।"
কি ???

৩। শিক্ষক :
হস্পিটেল কি বা কাক কয় ?

ছাত্ৰ :
পৃথিৱীৰ পৰা স্বৰ্গলৈ যোৱাৰ
ৰাজপথত যি টোল প্লাজা থাকে তাকেই
হস্পিটেল বোলা হয়।

— ৰিৱলী দিহিঙীয়া
তৃতীয় ষান্মাসিক
















Scanned with OKEN Scanner





Scanned with OKEN Scanner



Scanned with OKEN Scanner